सत्यमेव जयते

# খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি 2019

# সাৰাংশ

## থচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ কমিটি

**অধ্যক্ষ**

কে কস্তুৰীৰংগন, ভূতপূৰ্ব অধ্যক্ষ, আইএছআৰঅ', বেংগালুৰু

**সদস্যসকল**

a. বসুধা কামট, ভূতপূৰ্ব উপাচাৰ্য, এছএনডিটি মহিলা বিশ্ববিদ্যালয়, মুম্বাই
b. মনজুল ভাৰ্গৱ, আৰ ব্ৰেনডন ফ্ৰেড প্ৰফেছাৰ অৱ মেথেমেটিকছ, প্ৰিন্সটন ইউনিভাৰচিটি, ইউএছএ
c. ৰাম শংকৰ কুৰীল, ভূতপূৰ্ব প্ৰতিষ্ঠাপক উপাচাৰ্য, বাবা চাহেব আম্বেদকাৰ সামাজিক বিজ্ঞান বিশ্ববিদ্যালয়, মধ্য প্ৰদেশ
d. টি ভি কাট্টিমণি, উপাচাৰ্য, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় জনজাতীয় বিশ্ববিদ্যালয়, অমৰকন্টক, মধ্যপ্ৰদেশ
e. কৃষ্ণ মোহন ত্ৰিপাঠী, নিৰ্দেশক – শিক্ষা (মাধ্যমিক), ভূতপূৰ্ব অধ্যক্ষ, হাইস্কুল আৰু ইন্টাৰমিডিয়েট পৰীক্ষা বোৰ্ড, উত্তৰ প্ৰদেশ
f. মজহৰ আছিফ, প্ৰফেছাৰ, পাৰ্চিয়ান আৰু মধ্য এছীয় অধ্যয়ন কেন্দ্ৰ, ভাষা, সাহিত্য আৰু সংস্কৃতি অধ্যয়নৰ বিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লী
g. এম কে শ্ৰীধৰ, ভূতপূৰ্ব সদস্য সচিৱ, কৰ্ণাটক নলেজ কমিছন, বাংগালুৰু, কৰ্ণাটক

**সচিৱ**

h. শ্বাকিলা টি শ্বামছু, বিশেষ কৰ্তব্যৰত বিষয়া (ৰাষ্ট্ৰীয় শিক্ষা নীতি), উচ্চ শিক্ষা বিভাগ, মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়, ভাৰত চৰকাৰ, নতুন দিল্লী

## থচৰা কমিটিৰ সদস্যসকল

a. মনজুল ভাৰ্গৱ, আৰ ব্ৰেনডন ফ্ৰেড প্ৰফেছাৰ অৱ মেথেমেটিকছ, প্ৰিন্সটন ইউনিভাৰচিটি, ইউএছএ
b. কে ৰামচন্দ্ৰন, পৰামৰ্শদাতা, ৰাষ্ট্ৰীয় শৈক্ষিক যোজনা আৰু প্ৰশাসন সংস্থা, নতুন দিল্লী
c. অনুৰাগ বেহাৰ, চিইঅ', আজিম প্ৰেমজী ফাউণ্ডেশ্বন আৰু উপাচাৰ্য, আজিম প্ৰেমজী বিশ্ববিদ্যালয়, বেংগালুৰু
d. লীণা চন্দ্ৰন ৱাডিয়া, অৱজাৰ্ভাৰ ৰিচাৰ্চ ফাউণ্ডেশ্বন, মুম্বাই

# লক্ষ্য

ৰাষ্ট্ৰীয় শিক্ষা নীতি 2019-এ এনে এক ভাৰত-কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ সপোন দেখিছে যি সকলোকে উচ্চ মানসম্পন্ন শিক্ষা প্ৰদান কৰি আমাৰ দেশক ধাৰণক্ষমভাৱে এক সাম্যিক আৰু সক্ৰিয় জ্ঞান সমাজলৈ ৰূপান্তৰ কৰাত অৱদান আগবঢ়াব।

# নীতিৰ সংক্ষিপ্ত বিৱৰণ – মূল বিষয়সমূহ

# I. স্কুল শিক্ষা

a. প্ৰাৰম্ভিক শৈশৱৰ শিক্ষা: এই নীতিয়ে প্ৰাৰম্ভিক শৈশৱ কালৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে জোৰ দিছে আৰু উল্লেখনীয়ভাৱে বৰ্ধিত বিনিয়োগ আৰু নতুন পদক্ষেপসমূহৰ যোগেদি 2025 চনৰ ভিতৰত 3–6 বছৰৰ সকলো শিশুৰ বাবে মানসম্পন্ন শৈশৱৰ যত্ন আৰু শিক্ষা নিশ্চিত কৰাৰ লক্ষ্য হাতত লৈছে।

b. বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞান: 1–5 শ্ৰেণীত প্ৰাৰম্ভিক ভাষা আৰু গণিতৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। এই নীতিয়ে 2025 চনৰ ভিতৰত 5 শ্ৰেণী আৰু তাৰ পৰৱৰ্তী পৰ্যায়ৰ সকলো শিক্ষাৰ্থীৰ দ্বাৰা বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞান লাভ নিশ্চিত কৰাৰ লক্ষ্য হাতত লৈছে।

c. পাঠ্যক্ৰম আৰু শিক্ষাদানৰ পদ্ধতি: এটা 5 + 3 + 3 + 4 ডিজাইনৰ আধাৰত মস্তিষ্কৰ বিকাশ আৰু শিকনৰ নীতিসমূহৰ ওপৰত নিৰ্ভৰ কৰি স্কুল শিক্ষাৰ বাবে এক নতুন বিকাশমূলকভাৱে-উপযুক্ত পাঠ্যক্ৰম আৰু শিক্ষাদানৰ পদ্ধতিৰ বিকাশ কৰা হৈছে। স্কুলত বৃত্তিমূলক আৰু শৈক্ষিক শাখাসমূহৰ একত্ৰীকৰণৰ যোগেদি সকলো বিষয়, যেনে বিজ্ঞান, সামাজিক বিজ্ঞান, কলা, ভাষা, ক্ৰীড়া, গণিতৰ ওপৰত সমান গুৰুত্ব প্ৰদান কৰা হ'ব।

d. সাৰ্বজনীন প্ৰৱেশাধিকাৰ: এই নীতিয়ে বিভিন্ন পদক্ষেপৰ যোগেদি 2030 চনৰ ভিতৰত সকলো স্কুল শিক্ষাৰ বাবে 100% মুঠ পঞ্জীয়ন অনুপাতত উপনীত হোৱাৰ লক্ষ্য হাতত লৈছে।

e. সাম্য আৰু সৰ্বব্যাপী শিক্ষা: জন্ম বা পটভূমিৰ পৰিস্থিতিৰ বাবে কোনো শিশুৱে যাতে শিক্ষা-লাভ আৰু আগুৱাই যোৱাৰ ক্ষেত্ৰত কোনো সুবিধা লাভ কৰাৰ পৰা বঞ্চিত নহয়, সেয়া নিশ্চিত কৰিবলৈ এই নীতিয়ে বিভিন্ন সংঘবদ্ধ পদক্ষেপ হাতত লৈছে। এই ক্ষেত্ৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ বিশেষ শিক্ষা ক্ষেত্ৰৰ গঠন কৰা হ'ব।

f. শিক্ষক: শিক্ষকসকলক সুষ্ঠ, নিকা প্ৰক্ৰিয়াৰ যোগেদি নিযুক্তি প্ৰদান কৰা হ'ব, পদোন্নতি হ'ব যোগ্যতা-আধাৰিত, একাধিক-উৎসৰ পৰ্যায়ক্ৰমিক কাৰ্যদক্ষতা মূল্যাংকন সম্পন্ন কৰা হ'ব আৰু শিক্ষা প্ৰশাসক বা শিক্ষকৰ প্ৰশিক্ষকলৈ অগ্ৰগতি লাভ কৰা পথ উপলব্ধ হৈ থাকিব।

g. স্কুল পৰিচালনা: স্কুলসমূহক কিছুমান স্কুল কমপ্লেক্সলৈ (10–20 খন চৰকাৰী স্কুলৰ সমষ্টি) ব্যৱস্থিত কৰা হ'ব – এইটোৱেই হ'ব পৰিচালনা আৰু ব্যৱস্থাপনৰ সাধাৰণ একক আৰু ইয়াত শক্তিশালী পেছাদাৰী শিক্ষকৰ সৈতে সকলো সম্পদ – আধাৰমূলক সংৰচনা, শৈক্ষিক (যেনে, গ্ৰন্থাগাৰ) আৰু ব্যক্তিৰ (যেনে, চিত্ৰকলা আৰু সংগীতৰ শিক্ষক) উপলব্ধতা নিশ্চিত কৰি তোলা হ'ব।

h. স্কুলসমূহৰ নিয়ন্ত্ৰণ: স্বাৰ্থজনিত সংঘাত অপসাৰিত কৰিবলৈ স্কুলসমূহৰ নিয়ন্ত্ৰণ আৰু সঞ্চালন এক পৃথক সংস্থাৰ দ্বাৰা সমাধা কৰা হ'ব। নীতি নিৰ্ধাৰণ, নিয়ন্ত্ৰণ, সঞ্চালন আৰু শৈক্ষিক বিষয়সমূহৰ বাবে স্পষ্ট আৰু পৃথক ব্যৱস্থা থাকিব।

## II. উচ্চ শিক্ষা

a. নতুন সংৰচনা: বৃহৎ, উপযুক্ত-সম্পদসহ, সক্ৰিয় বহুবিষয়ক প্ৰতিষ্ঠানৰ সৈতে উচ্চ শিক্ষাৰ বাবে এক নতুন স্বপ্ন আৰু সংৰচনাৰ পৰিকল্পনা কৰা হৈছে। বৰ্তমানৰ ৪00 বিশ্ববিদ্যালয় আৰু 40000 মহাবিদ্যালয়ক প্ৰায় 15000 টা উৎকৃষ্ট প্ৰতিষ্ঠানলৈ সংঘবদ্ধ কৰা হ'ব।

b. উদাৰ শিক্ষা: বিজ্ঞান, কলা, মানৱীয় অধ্যয়ন, গণিত আৰু পেছাদাৰী ক্ষেত্ৰৰ সৈতে সম্বন্বিত, সঠিক পৰিচয় নিশ্চিত কৰিবলৈ স্নাতক স্তৰত এক ব্যাপক ভিত্তিৰ কলা শিক্ষাৰ সূচনা কৰা হ'ব। ইয়াত থাকিব সৃজনীশীল আৰু পৰিৱৰ্তনযোগ্য পাঠ্যক্ৰম সংৰচনা, অধ্যয়নৰ সৃষ্টিশীল সমন্বয়, বৃত্তিমূলক শিক্ষাৰ একত্ৰীকৰণ আৰু একাধিক প্ৰৱেশ/প্ৰস্থান স্তৰৰ সুবিধা।

c. পৰিচালনা: প্ৰতিষ্ঠানিক পৰিচালনা শৈক্ষিক, প্ৰশাসনীয় আৰু বিত্তীয় স্বায়ত্বশাসনৰ ওপৰত আধাৰিত হ'ব। প্ৰতিটো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এক স্বতন্ত্ৰ পৰিষদৰ দ্বাৰা পৰিচালিত হ'ব।

d. নিয়ন্ত্ৰণ: বিত্তীয় ন্যায় আৰু ৰাজহুৱা- আত্মীয়তা – মান্য গঠন, পুঁজি যোগান, স্বীকৃতি নিশ্চিত কৰিবলৈ নিয়ন্ত্ৰণ মৃদু কিন্তু কঠোৰ হ'ব আৰু স্বাৰ্থজনিত সংঘাত অপসাৰিত কৰিবলৈ নিয়ন্ত্ৰণ স্বতন্ত্ৰ পৰিষদৰ দ্বাৰা পৰিচালিত হ'ব।

## III. শিক্ষকৰ শিক্ষা

শিক্ষক তৈয়াৰ কৰাৰ কাৰ্যসূচীসমূহ কঠোৰ হ'ব আৰু সেইসমূহক সক্ৰিয়, বহু-বিষয়ক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত সম্পন্ন কৰা হ'ব। বহু-বিষয়ক প্ৰতিষ্ঠানসমূহত প্ৰদান কৰা 4 বছৰীয়া সম্বন্বিত স্তৰ-নিৰ্দিষ্ট, বিষয়-নিৰ্দিষ্ট শিক্ষাৰ স্নাতক পাঠ্যক্ৰম হ'ব এজন শিক্ষক হোৱাৰ প্ৰধান উপায়। মানহীন আৰু কৰ্মহীন শিক্ষক শিক্ষাৰ প্ৰতিষ্ঠানসমূহ বন্ধ কৰা হ'ব।

## IV. পেছাদাৰী শিক্ষা

সকলো পেছাদাৰী শিক্ষা উচ্চ শিক্ষা ব্যৱস্থাৰ এক অনিবাৰ্য অংশ হৈ পৰিব। স্বাধীন কাৰিকৰী বিশ্ববিদ্যালয়, স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, আইন আৰু কৃষি বিশ্ববিদ্যালয়, বা এই বিষয়ক বা অন্য বিষয়ক প্ৰতিষ্ঠানসমূহ বন্ধ কৰা হ'ব।

## V. বৃত্তিমূলক শিক্ষা

ই সকলো শিক্ষাৰ অনিবাৰ্য অংশ হৈ পৰিব – এই নীতিয়ে 2025 চনৰ ভিতৰত সকলো শিক্ষাৰ্থীৰ কমেও 50% শিক্ষাৰ্থীক বৃত্তিমূলক শিক্ষালৈ প্ৰৱেশ প্ৰদান কৰাৰ লক্ষ্য হাতত লৈছে।

## VI. ৰাষ্ট্ৰীয় গৱেষণা ন্যাস

সমগ্ৰ দেশতে গৱেষণা আৰু উদ্ভাৱনীশীলতা বৃদ্ধি আৰু বিস্তাৰ কৰিবলৈ এক নতুন নিকায় স্থাপন কৰা হ'ব।

## VII. শিক্ষাত প্ৰযুক্তি

এই নীতিয়ে শ্ৰেণীকোঠাৰ প্ৰক্ৰিয়াসমূহৰ উন্নতি, শিক্ষকৰ পেছাদাৰী বিকাশ সমৰ্থন, অনগ্ৰসৰ গোটসমূহৰ বাবে শিক্ষালাভৰ সুবিধা বৃদ্ধি আৰু শৈক্ষিক পৰিকল্পনা, প্ৰশাসন আৰু প্ৰবন্ধন সু-প্ৰৱাহী কৰি তুলিবলৈ শিক্ষাৰ সকলো স্তৰতে প্ৰযুক্তিৰ সঠিক সংযোজনৰ লক্ষ্য হাতত লৈছে।

## VIII. প্ৰাপ্তবয়স্ক শিক্ষা

এই নীতিৰ যোগেদি 2030 চনৰ ভিতৰত 100% যুৱ আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতাত উপনীত হোৱাৰ লক্ষ্য হাতত লোৱা হৈছে।

## IX. ভাৰতীয় ভাষাৰ উন্নয়ন

এই নীতিয়ে সকলো ভাৰতীয় ভাষাৰ সংৰক্ষণ, বিকাশ আৰু সক্ৰিয়তা নিশ্চিত কৰিব।

## X. শিক্ষাত বিনিয়োগ

ৰাজহুৱা শিক্ষাক বিস্তাৰ আৰু সক্ৰিয় কৰি তুলিবলৈ পৰ্যাপ্ত ৰাজহুৱা বিনিয়োগৰ ব্যৱস্থা কৰা হ'ব।

## XI. ৰাষ্ট্ৰীয় শিক্ষা আয়োগ

প্ৰধান মন্ত্ৰীৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষা আয়োগ বা নেচনেল ইডুকেশ্বন কমিছন গঠন কৰা হ'ব – ই হ'ব ভাৰতত শিক্ষাৰ পৰিকল্পনাৰ ৰক্ষক।

# নীতিৰ বিৱৰণ – মূল বিষয়সমূহ

# স্কুল শিক্ষা

## 1. প্ৰাৰম্ভিক শৈশৱৰ যত্ন আৰু শিক্ষাৰ সৰলীকৰণ

**উদ্দেশ্য:** 2025 চনৰ ভিতৰত 3-6 বছৰ বয়সৰ প্ৰতিটো শিশুৰ বাবে বিনামূলীয়া, নিৰাপদ, উচ্চ মানসম্পন্ন, বিকাশগতভাৱে সঠিক যত্ন আৰু শিক্ষা উপলব্ধ কৰি তোলা।

এই নীতিয়ে প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাৰ গুৰুত্ব আৰু এজন ব্যক্তিৰ সমগ্ৰ জীৱনত ইয়াৰ সুবিধাৰ বিদ্যমানতাৰ ওপৰত জোৰ দিছে।

a. স্থানীয় প্ৰয়োজনীয়তা, ভৌগোলিক অৱস্থান আৰু মজুত সংৰচনাৰ ওপৰত ভিত্তি কৰি এক বহুমুখী দৃষ্টিকোণ সাপেক্ষে প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাৰ সা-সুবিধাসমূহ বিশেষ **বিস্তাৰ আৰু সৰলীকৰণ।**

b. আৰ্থ-সামাজিকভাৱে বিশেষভাৱে অনগ্ৰসৰ জিলা/ভৌগোলিক অৱস্থানসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰু অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। মানদণ্ড আৰু ফলাফলসমূহৰ সঠিক পৰ্যবেক্ষণৰ বাবে প্ৰয়োজনীয় প্ৰক্ৰিয়াসমূহ স্থাপন কৰা হ'ব।

c. শিক্ষাদাতা আৰু পিতৃ-মাতৃৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাৰ বাবে এক পাঠ্যক্ৰম আৰু শিক্ষাদানৰ সংৰচনাৰ বিকাশ কৰা হ'ব। এই সংৰচনাই 0-3 বছৰ বয়সীয়া শিশুৰ সঠিক জ্ঞানমূলক উদ্দীপনাৰ বাবে নিৰ্দেশনা আৰু 3-8 বছৰ বয়সীয়া শিশুৰ বাবে শৈক্ষিক নিৰ্দেশনাসমূহক সামৰি ল'ব।

d. প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাত শিক্ষাৰ্থীৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি আৰু স্তৰ-নিৰ্দিষ্ট প্ৰশিক্ষণ, নিৰবিচ্ছিন্ন পেছাদাৰী উন্নতিৰ বাবে সা-সুবিধা প্ৰদানৰ যোগেদি উচ্চ-মানসম্পন্ন শিক্ষা-প্ৰদানকাৰীৰ পেছাদাৰীকৰণ আৰু কেৰিয়াৰ মেপিঙৰ কাম হাতত লোৱা হ'ব।

e. প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাৰ সকলো দিশ **শিক্ষা মন্ত্ৰালয়**ৰ (বৰ্তমানৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ পুনঃনামাংকন কৰা হ'ব) অধীনস্থ হ'ব আৰু প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাক স্কুল শিক্ষাৰ বাকী অংশৰ সৈতে কাৰ্যকৰীভাৱে সংযোগ কৰা হ'ব – 2019 চনৰ ভিতৰত শিক্ষা মন্ত্ৰালয়, নাৰী আৰু শিশু বিকাশ মন্ত্ৰালয় আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা এক ৰূপান্তৰণ আঁচনি চূড়ান্ত কৰি তোলা হ'ব।

f. অনুবৰ্তিতা নিশ্চিত কৰিবলৈ সকলো প্ৰাক-স্কুল শিক্ষাক (চৰকাৰী, ব্যক্তিগত আৰু জনহিতকৰ) সামৰি ল'ব পৰাকৈ এক কাৰ্যক্ষম **মানসম্পন্ন নিয়ন্ত্ৰণ বা স্বীকৃতি-প্ৰদান ব্যৱস্থা** স্থাপন কৰা হ'ব।

g. শিশুৰ শিকনৰ প্ৰয়োজনীয়তাক সক্ৰিয়ভাৱে সমৰ্থন জনোৱাত অভিভাৱকক সক্ষম কৰি তুলিবলৈ বৃহৎ-পৰিসৰৰ প্ৰচাৰ আৰু তথ্যৰ বিস্তৃত-পৰ্যায়ৰ প্ৰসাৰণৰ যোগেদি **অংশীদাৰসকলৰ মাজত চাহিদাৰ সৃষ্টি** কৰা হ'ব।

h. 3-6 বছৰ বয়সীয়া সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক মান-সম্পন্ন শিক্ষা উপলব্ধ হৈ থকাটো নিশ্চিত কৰিবলৈ **শিক্ষাৰ অধিকাৰ আইন** 2009 সম্প্ৰসাৰিত কৰা হ'ব।

## 2. সকলো শিশুৰ বাবে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞানৰ নিশ্চয়তা

**উদ্দেশ্য:** 2025 চনৰ ভিতৰত 5ম শ্ৰেণী আৰু তাৰ পিছৰ পৰ্যায়ৰ সকলো শিক্ষাৰ্থীৰ বাবে বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞানৰ নিশ্চয়তা প্ৰদান কৰা।

এই নীতিয়ে প্ৰাৰম্ভিক ভাষা আৰু গণিতৰ শিক্ষা লাভৰ ক্ষেত্ৰত বিশেষ অসুবিধাসমূহক চিনাক্ত কৰিছে আৰু ইয়াক সৰ্বোচ্চ অগ্ৰাধিকাৰ ৰূপে গণ্য কৰিছে।

a. পুষ্টি আৰু শিক্ষালাভ বিশেষভাৱে সংযুক্ত। **মধ্যাহ্ন ভোজন** (মিডডে মিল) কাৰ্যসূচীৰ **বিস্তাৰ** সাধন কৰা হ'ব – প্ৰাক-প্ৰাথমিক আৰু প্ৰাথমিক স্কুলৰ শিক্ষাৰ্থীৰ বাবে পুষ্টিকৰ পুৱাৰ আৰু মধ্যাহ্ন ভোজন উপলব্ধ কৰি তোলা হ'ব। মানসম্পন্ন আহাৰৰ উপলব্ধতা নিশ্চিত কৰিবলৈ এই কাৰ্যসূচীসমূহৰ ব্যয়ক খাদ্যৰ মূল্য আৰু মুদ্ৰাস্ফীতিৰ সৈতে সংযুক্ত কৰি তোলা হ'ব।

b. এক অভিযোজিত মূল্যায়নৰ শক্তিশালী পদ্ধতি আৰু মান-সম্পন্ন শিক্ষা-সমল উপলব্ধ কৰি তোলাৰ লগতে **1-5ম শ্ৰেণীত বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞানৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান** কৰা হ'ব। ভাষা আৰু গণিতৰ শিক্ষা-সমলৰ এক ৰাষ্ট্ৰীয় সংগ্ৰহ ৰাষ্ট্ৰীয় শিক্ষক পোৰ্টেলত (National Teachers' Portal) উপলব্ধ হৈ থাকিব।

c. শিক্ষকৰ সহায়ক হ'ব পৰা প্ৰযুক্তিমূলক আৱিষ্কাৰসমূহক চিনাক্ত কৰা হ'ব আৰু অধ্যয়ন আৰু চিন্তা-চৰ্চা আদান-প্ৰদানৰ এক সংস্কৃতি নিৰ্মাণৰ বাবে চৰকাৰী আৰু স্কুলৰ গ্ৰন্থাগাৰসমূহ সম্প্ৰসাৰিত কৰা হ'ব।

d. 1ম শ্ৰেণীৰ সকলো শিক্ষাৰ্থীয়ে এক তিনিমহীয়া **স্কুল প্ৰস্তুতি মডিউল** সমাপ্ত কৰিব লাগিব।

e. বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞানৰ ওপৰত পুনৰবাৰ অধিক জোৰ দিবলৈ **শিক্ষকৰ শিক্ষাৰ পৰিৱৰ্তন** সাধন কৰা হ'ব।

f. স্থানীয় সমাজৰ পৰা প্ৰশিক্ষক চিনাক্ত কৰি এক **ৰাষ্ট্ৰীয় টিউটৰ কাৰ্যসূচী** (National Tutors Programme) আৰু **এক প্ৰতিকাৰমূলক নিৰ্দেশনামূলক সহায় কাৰ্যসূচী** (Remedial Instructional Aides Programme) সূচনা কৰা হ'ব।

g. প্ৰতিখন স্কুলৰ স্তৰতে 30:1-তকৈ কম **শিক্ষক-শিক্ষাৰ্থীৰ অনুপাত** নিশ্চিত কৰা হ'ব।

h. **সমাজকৰ্মী আৰু পৰামৰ্শদাতাসকলে** সকলো শিশুৰে স্মৃতিশক্তি আৰু মানসিক স্বাস্থ্যৰ সৱলীকৰণ নিশ্চিত কৰিব, এই নীতিত স্থিৰ কৰা বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞানৰ সৈতে সম্পৰ্কিত লক্ষ্যসমূহত উপনীত হ'ব পৰাটো নিশ্চিত কৰিবলৈ **পিতৃ-মাতৃৰ** অংশগ্ৰহণ আৰু **স্থানীয় সমাজ আৰু স্বেচ্ছাসেৱকসকলৰ** সমাবেশ সম্ভৱ কৰি তোলা হ'ব।

# 3. সকলো স্তৰৰ শিক্ষালৈ সাৰ্বজনীন প্ৰৱেশাধিকাৰ আৰু শিক্ষাৰ্থীৰ প্ৰতিধাৰণৰ নিশ্চয়তা

**উদ্দেশ্য:** 2030 চনৰ ভিতৰত 3-8 বছৰ বয়সীয়া সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষালৈ প্ৰৱেশ আৰু অংশগ্ৰহণ সম্পূৰ্ণ কৰা।

নামভৰ্তিৰ ক্ষেত্ৰত লাভ কৰা সফলতাক স্বীকাৰ কৰি এই নীতিয়ে স্কুলত শিক্ষাৰ্থীক ধৰি ৰখাৰ অক্ষমতাৰ ক্ষেত্ৰত উদ্বেগ প্ৰকাশ কৰিছে।

a. বিভিন্ন পদক্ষেপৰ যোগেদি 2030 চনৰ ভিতৰত মাধ্যমিক বিদ্যালয়ৰ মাধ্যমত প্ৰাক-স্কুলত **100% মুঠ নিৱন্ধন অনুপাত** সুনিশ্চিত কৰা হ'ব।

b. সকলো শিক্ষাৰ্থী, বিশেষকৈ কণ্যা শিশুৰ বাবে নিৰাপত্তা নিশ্চিত কৰাৰ লগতে মজুত স্কুলসমূহত নামভৰ্তি বৃদ্ধি কৰি, অনগ্ৰসৰ/পিছপৰা ঠাইসমূহত নতুন সা-সুবিধাৰ বিকাশ কৰি আৰু পৰিবহন আৰু হোষ্টেলৰ সা-সুবিধা সৃষ্টিৰ দ্বাৰা **শিক্ষালাভৰ ক্ষেত্ৰত থকা বাধা** দূৰ কৰা হ'ব।

c. নামভৰ্তি কৰা শিশুৰ উপস্থিতি আৰু শিক্ষালাভৰ ফলাফলৰ ওপৰত দৃষ্টি ৰাখি, স্কুল-ত্যাগ কৰা আৰু স্কুলত নামভৰ্তি নকৰা শিশুৰ ওপৰত শিক্ষক, সমাজকৰ্মী আৰু পৰামৰ্শদাতাসকলৰ দ্বাৰা দৃষ্টি ৰাখি আৰু দীৰ্ঘদিনৰ বাবে স্কুলত নামভৰ্তি নকৰা কিশোৰ-কিশোৰীসকলৰ বাবে কাৰ্যসূচী হাতত লোৱাৰ দ্বাৰা **সকলো শিশুৰ অংশগ্ৰহণ আৰু শিক্ষালাভ নিশ্চিত** কৰা হ'ব। মুক্ত আৰু দূৰৱৰ্তী স্কুল-শিক্ষা আৰু প্ৰযুক্তিমূলক প্লেটফৰ্মসমূহ শক্তিশালী কৰি তুলি আনুষ্ঠানিক আৰু অনানুষ্ঠানিক ৰূপত শিক্ষালাভ কৰাৰ একাধিক পথ উপলব্ধ কৰি তোলা হ'ব।

d. শিক্ষাৰ্থী স্বাস্থ্যজনিত কাৰণৰ বাবে স্কুলত উপস্থিত থাকিবলৈ সক্ষম নহ'লে তেওঁলোকে **অতি সোনকালেই স্কুলত যোগদান কৰাটো নিশ্চিত কৰাৰ** পদক্ষেপসমূহৰ ভিতৰত স্কুলত স্বাস্থ্য কৰ্মীৰ নিযুক্তি, শিক্ষাৰ্থী, পিতৃ-মাতৃ আৰু সমগ্ৰ স্থানীয় সমাজত সজাগতাৰ সৃষ্টি, আৰু তেওঁলোকক সঠিক স্বাস্থ্য সেৱাসমূহৰ সৈতে সংযোগ কৰি দিয়া কাৰ্যক সামৰি লোৱা হ'ব।

e. নিৰাপত্তা (শাৰিৰীক আৰু মানসিক), প্ৰৱেশাধিকাৰ আৰু অন্তৰ্ভুক্তি, স্কুলৰ অনা-লাভজনক প্ৰকৃতি আৰু শিক্ষালাভৰ ফলাফলৰ নূন্যতম মান নিশ্চিত কৰি **শিক্ষাৰ অধিকাৰ আইন**ৰ প্ৰয়োজনীয়তা উল্লেখযোগ্যভাৱে কম বিধিনিষেধযুক্ত কৰি তোলা হ'ব। ই স্থানীয় বৈচিত্ৰ আৰু বৈকল্পিক মডেলক অনুমতি দিব আৰু লগতে চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানসমূহে এখন স্কুল স্থাপন কৰাটো সহজ কৰি তুলিব।

f. প্ৰাক-স্কুলৰ পৰা 12তম শ্ৰেণীলৈকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ উপলব্ধতা নিশ্চিত কৰিবলৈ **শিক্ষাৰ অধিকাৰ আইন সম্প্ৰসাৰিত কৰা** হ'ব।

## 4. স্কুল শিক্ষাৰ বাবে নতুন পাঠ্যক্ৰম আৰু শিক্ষাদানমূলক সংৰচনা

**উদ্দেশ্য:** মুখস্ত কৰাৰ দ্বাৰা শিক্ষালাভ নুন্যতম কৰাৰ বিপৰীতে সামগ্ৰিক বিকাশ আৰু সমালোচনামূলক চিন্তা, সৃজনীশীলতা, বিজ্ঞানসন্মত ভাৱধাৰা, ভাৱৰ আদান-প্ৰদান, সহযোগিতা, বহুভাষাবাদ, সমস্যা সমাধান, নীতিশাস্ত্ৰ, সামাজিক দায়বদ্ধতা আৰু ডিজিটেল সাক্ষৰতাৰ দৰে 21 শতিকাৰ কৌশলসমূহক উৎসাহ প্ৰদান কৰিবলৈ 2022 চনৰ ভিতৰত পাঠ্যক্ৰম আৰু শিক্ষাদানৰ পদ্ধতিৰ ৰূপান্তৰণ সাধন কৰা হ'ব।

শিক্ষাৰ্থীৰ বিকাশৰ বিভিন্ন স্তৰৰ বিকাশজনিত প্ৰয়োজনীয়তা আৰু স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি স্কুল শিক্ষাৰ পাঠ্যক্ৰম আৰু শিক্ষাদানমূলক সংৰচনাক উপযুক্ত আৰু প্ৰাসংগিক তুলিবলৈ সেইসমূহৰ পুনঃবিন্যাস সম্পন্ন কৰা হ'ব।

a. স্কুল শিক্ষাৰ পাঠ্যক্ৰম আৰু শিক্ষাদানমূলক সংৰচনা আৰু স্কুল শিক্ষাৰ পাঠ্যক্ৰম সংৰচনা সেয়েহে **5+3+3+4 ডিজাইনৰ** দ্বাৰা পৰিচালিত হ'ব।

- আধাৰমূলক স্তৰ (3-8 বছৰ বয়স): মস্তিষ্কৰ দ্ৰুত বিকাশ; খেলা-ধুলা আৰু সক্ৰিয় আৱিষ্কাৰৰ ওপৰত আধাৰিত শিক্ষালাভ।
- প্ৰস্তুতিমূলক স্তৰ (8-11 বছৰ বয়স): খেলা-ধুলা আৰু আৱিষ্কাৰৰ ওপৰত আধাৰ নিৰ্মাণ; সংৰচনাবদ্ধ শিক্ষালাভলৈ ৰূপান্তৰণৰ আৰম্ভণি।
- মধ্যম স্তৰ (11-14 বছৰ বয়স): বিষয়ৰ ধাৰণাসমূহৰ ওপৰত শিক্ষালাভ; বয়ঃসন্ধি কাললৈ প্ৰৱেশৰ আৰম্ভণি।
- মাধ্যমিক স্তৰ (14-18 বছৰ বয়স): জীৱিকা-নিৰ্বাহ আৰু উচ্চ শিক্ষাৰ বাবে প্ৰস্তুতি; যুৱ প্ৰাপ্তবয়স্ক কাললৈ প্ৰৱেশৰ আৰম্ভণি।

b. মাধ্যমিক স্তৰত চাৰিটা বছৰৰ বহু-বিষয়ক অধ্যয়ন থাকিব আৰু শিক্ষাৰ্থীৰ পচন্দৰ প্ৰতি লক্ষ্য ৰাখি সালসলনিযোগ্য বিষয়ৰ গভীৰ জ্ঞান, সমালোচনাত্মক চিন্তা-ধাৰা, জীৱনৰ আকাংখ্যাৰ প্ৰতি মনোযোগৰ ওপৰত নিৰ্ভৰ কৰি প্ৰস্তুত কৰা হ'ব।

c. শিক্ষাৰ্থীৰ সম্পূৰ্ণ বিকাশৰ বাবে স্কুল শিক্ষাৰ সমল আৰু প্ৰক্ৰিয়াৰ পুনঃবিন্যাস নিশ্চিত কৰা হ'ব। **পাঠ্যক্ৰমৰ ভাৰ** (load) মূখ্য ধাৰণা আৰু প্ৰয়োজনীয় ধাৰণাসমূহলৈ হ্ৰাস কৰা হ'ব আৰু ফলস্বৰূপে অধিক গভীৰ আৰু অধিক অভিজ্ঞতাপূৰ্ণ শিক্ষালাভ সম্ভৱ হৈ উঠিব।

d. সকলো শিক্ষাৰ্থীকে ভাষিক দক্ষতা, বৈজ্ঞানিক ধাৰণা, নান্দনিকতা আৰু কলাসন্মত দৃষ্টিকোণ, ভাৱৰ আদান-প্ৰদান, নীতিমূলক যুক্তিপ্ৰয়োগ, ডিজিটেল সাক্ষৰতা, ভাৰতীয় জ্ঞানৰ বিকাশ

আৰু স্থানীয় সমাজ, নিজৰ দেশ আৰু সমগ্ৰ বিশ্বই মুখামুখি হোৱা গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ বিষয়ে জ্ঞান আঁহৰণ কৰিবলৈ অনুপ্ৰেৰণা প্ৰদান কৰা হ'ব।

e. **এক নমনীয় পাঠ্যক্ৰম** – পাঠ্যক্ৰম, সহ-পাঠ্যক্ৰম বা অতিৰিক্ত-পাঠ্যক্ৰম; কলা আৰু বিজ্ঞানৰ বিষয়সমূহ; আৰু 'বৃত্তিমূলক' আৰু 'শৈক্ষিক' বিভাগসমূহৰ মাজত কোনো নিৰ্দিষ্ট পাৰ্থক্য নৰখাকৈ এনে পাঠ্যক্ৰমে শিক্ষাৰ্থীক মাধ্যমিক স্কুলৰ স্তৰত বিষয় ক্ষেত্ৰ সাল-সলনি কৰাৰ সম্ভাৱনীয়তা প্ৰদান কৰিব।

f. কমেও 5ম শ্ৰেণী পৰ্যন্ত, আৰু সম্ভৱপৰ ক্ষেত্ৰত ৪ম শ্ৰেণী পৰ্যন্ত শিক্ষা **স্থানীয় ভাষা/মাতৃভাষা**ৰ যোগেদি প্ৰদান কৰা হ'ব, প্ৰয়োজনবশতঃ এক নমনীয় (দ্বিভাষিক) ভাষিক পদক্ষেপ গ্ৰহণ কৰা হ'ব।

g. প্ৰয়োজন আৰু সুবিধা অনুসৰি স্থানীয় ভাষাত উষ্চ মানৰ পাঠ্যপুথি উপলব্ধ কৰি তোলা হ'ব আৰু বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে শৈক্ষিক সামগ্ৰী প্ৰস্তুত কৰি উলিওৱা হ'ব।

h. সমগ্ৰ দেশত নীতিগতভাৱে **ত্ৰি-ভাষিক সূত্ৰ** প্ৰয়োগ কৰা হ'ব; ভাষা শিক্ষক সৃষ্টি আৰু নিয়োগৰ বাবে বিশেষ পদক্ষেপ হাতত লোৱা হ'ব।

i. 6-৪ম শ্ৰেণীত বৃত্তিমূলক কৌশল আৰু শিল্পৰ এবছৰীয়া জৰীপ পাঠ্যক্ৰম গ্ৰহণ কৰা সকলো শিক্ষাৰ্থীৰ বাবে **বৃত্তিমূলক** শিক্ষাপ্ৰদান আগতীয়াকৈ আৰম্ভ কৰা হ'ব। 9-12ম শ্ৰেণীত শিশুসকলে নিজৰ ৰাপ আৰু আগ্ৰহ অনুসৰি পচন্দ কৰিব পৰাকৈ অধিক পৰম্পৰাগত শৈক্ষিক পাঠ্যক্ৰমৰ সৈতে বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰমসমূহ গ্ৰহণ কৰিব পাৰিব।

j. 2020 চনৰ ভিতৰত **ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা** পুনঃআলোচনা আৰু সংশোধন কৰা হ'ব আৰু লগতে সেইখন সকলো আঞ্চলিক ভাষাত উপলব্ধ কৰি তোলা হ'ব। নতুন **পাঠ্যপুথি** প্ৰস্তুত কৰা হ'ব আৰু উষ্চ মানৰ **অনুবাদ** সম্পন্ন কৰা হ'ব।

k. শিক্ষাৰ্থীৰ বিকাশক সমৰ্থন কৰিব পৰাকৈ **মূল্যায়নক** ৰূপান্তৰ কৰা হ'ব। সকলো পৰীক্ষাই (বিশেষকৈ পৰিষদৰ পৰীক্ষাসমূহ) সমালোচনাত্মক চিন্তাধাৰাৰ সক্ষমতাৰ লগতে মূল ধাৰণা আৰু কৌশলসমূহৰ পৰীক্ষা কৰিব। 2025 চনৰ ভিতৰত মধ্য স্কুল স্তৰ আৰু তাৰ পৰৱৰ্তী পৰ্যায়ৰ মূল্যায়ন অনুকুলিত কম্পিউটাৰকৃত পৰীক্ষাৰ দ্বাৰা সম্পন্ন কৰা হ'ব। 2020/2021 চনৰ পৰা এক স্বায়ত্ব-শাসিত ৰাষ্ট্ৰীয় পৰীক্ষণ এজেন্সিয়ে (National Testing Agency) দক্ষতা পৰীক্ষা আৰু বিভিন্ন বিষয়ৰ পৰীক্ষা পৰিচালিত কৰিব, আৰু তেনে পৰীক্ষা বছৰত একাধিকবাৰ অনুষ্ঠিত কৰা হ'ব।

l. **একক প্ৰতিভা আৰু ৰাপসমূহ** চিনাক্ত কৰা হ'ব আৰু স্কুল আৰু জিলা পৰ্যায়ৰ বিষয়-কেন্দ্ৰিক আৰু প্ৰকল্প-আধাৰিত ক্লাৱসমূহ, আৱাসিক গ্ৰীষ্মকালীন কাৰ্যসূচী, আৰু অলিম্পিয়াড আৰু প্ৰতিযোগিতাৰ যোগেদি উৎসাহ যোগোৱা হ'ব।

## 5. শিক্ষক – পৰিৱৰ্তনৰ দিকদৰ্শক

**উদ্দেশ্য:** স্কুল শিক্ষাৰ সকলো স্তৰতে সকলো শিক্ষাৰ্থীক আগ্ৰহী, উৎসাহী, উচ্চ-অৰ্হতাসম্পন্ন, পেছাদাৰীভাৱে প্ৰশিক্ষিত আৰু সকলো দিশৰ পৰা সাজু শিক্ষকৰ দ্বাৰা শিক্ষা প্ৰদান নিশ্চিতকৰণ।

এই নীতিয়ে শিক্ষকসকলক ‘আমাৰ সমাজৰ সকলোতকৈ গুৰুত্বপূৰ্ণ সদস্য আৰু পৰিৱৰ্তনৰ দিকদৰ্শক’ ৰূপে বিবেচনা কৰিছে। মানসম্পন্ন শিক্ষা নিশ্চিত কৰাৰ যিকোনো প্ৰচেষ্টাৰ সফলতা নিৰ্ভৰ কৰে শিক্ষকসকলৰ গুণমানৰ ওপৰত।

a. অৱহেলিত, গ্ৰাম্য বা জনজাতীয় ঠাইৰ মেধাৱী শিক্ষাৰ্থীক চাৰি-বছৰীয়া সংহত বিএড কাৰ্যসূচীত নামভৰ্তি কৰাত সক্ষম কৰি তুলিবলৈ **মেধা ভিত্তিক বৃত্তিৰ** সূচনা কৰা হ’ব। কিছুমান পৰিস্থিতিত, স্থানীয় অঞ্চলত তেওঁলোকৰ নিয়োগ নিশ্চিত কৰা হ’ব। এই ক্ষেত্ৰত বিশেষকৈ মহিলা শিক্ষাৰ্থীক লক্ষ্য কৰি লোৱা হ’ব।

b. **শিক্ষকৰ নিযুক্তি** সকলো স্কুলতে সামগ্ৰিক শিক্ষক নিযুক্তি পৰিকল্পনাৰ ওপৰত আধাৰিত এক সক্ষম প্ৰক্ৰিয়াৰ যোগেদি সম্পন্ন কৰা হ’ব; বৈচিত্ৰ সুনিশ্চিত কৰি স্থানীয় শিক্ষক আৰু স্থানীয় ভাষা সলসলীয়াকৈ ক’ব পৰা সকলক অগ্ৰাধিকাৰ প্ৰদান কৰা হ’ব। এই ক্ষেত্ৰত প্ৰথমটো পদক্ষেপ হ’ব নতুনকৈ ডিজাইন কৰা শিক্ষক অৰ্হতা পৰীক্ষা, আৰু তাৰপিছত থাকিব এক সাক্ষাৎকাৰ আৰু শিক্ষা-প্ৰদানৰ প্ৰদৰ্শন। বৰ্তমানে বহু ৰাজ্যত কৰাৰ দৰে শিক্ষকক এখন জিলাৰ বাবে নিযুক্তি প্ৰদান কৰা হ’ব আৰু এটা স্কুল কমপ্লেক্সত নিয়োগ কৰা হ’ব, আৰু তেওঁলোকৰ কাৰ্যকালৰ ম্যাদ নিৰ্ধাৰিত হোৱাৰ লগতে এক স্বচ্ছ প্ৰযুক্তি-আধাৰিত ব্যৱস্থাৰ যোগেদি নীতি-আধাৰিত স্থানান্তৰৰ সুবিধা থাকিব। গ্ৰাম্য অঞ্চলসমূহত শিক্ষাদানৰ দায়িত্ব হাতত ল'বলৈ শিক্ষকসকলক উৎসাহিত কৰা হ'ব।

c. 2022 চনৰ ভিতৰত সমগ্ৰ দেশতে **‘অৰ্ধ-শিক্ষক’** (অৰ্হতাহীন, অনিয়মীয়া শিক্ষক) নিযুক্তি **বন্ধ** কৰা হ’ব।

d. **নিৰবিচ্ছিন্ন শিক্ষক পেছাগত বিকাশ** এক নমনীয় আৰু মডুলাৰ পদ্ধতিৰ ওপৰত আধাৰিত হ’ব আৰু শিক্ষকে কি শিকিব বিচাৰে আৰু কেনেকৈ শিকিব বিচাৰে সেয়া নিজেই পচন্দ কৰিব। প্ৰাৰম্ভিক শিক্ষকসকলক শিক্ষণৰ দায়িত্ব দিয়াৰ ক্ষেত্ৰত মনোযোগ দিয়া হ’ব আৰু তেওঁলোকৰ দিকদৰ্শনৰ বাবে উপযুক্ত প্ৰক্ৰিয়াৰ সৃষ্টি কৰা হ'ব। পচন্দ-আধাৰিত বিকাশ সক্ষম কৰি তোলাৰ লগতে প্ৰতিজন শিক্ষকৰ পেছাদাৰী উন্নতিৰ খতিয়ান ৰাখিবলৈ ৰাজ্যসমূহে এক প্ৰযুক্তি-আধাৰিত ব্যৱস্থাৰ সূচনা কৰিব। পাঠ্যক্ৰমৰ কোনো কেন্দ্ৰীকৃত নিৰ্ধাৰণ, কোনো ‘কেছকেড-মডেল’ প্ৰশিক্ষণ বা কোনো কঠোৰ নিয়ম নেথাকিব। এই কাৰ্যসূচীসমূহত প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে সমল ব্যক্তিসকলক যত্নসহকাৰে নিৰ্বাচন কৰাৰ লগতে তেওঁলোকক উচিত প্ৰশিক্ষণ প্ৰদান কৰা হ’ব আৰু তেওঁলোকৰ কাৰ্যকাল নিৰ্ধাৰিত হ’ব।

e. **শিক্ষকৰ কামত সুবিধা প্ৰদান** কৰিবলৈ আকাংখিত শিক্ষাৰ্থী-শিক্ষকৰ অনুপাতৰ সৈতে পৰ্যাপ্ত ভৌতিক পৰিকাঠামো, সা-সুবিধা আৰু শিক্ষালাভৰ সম্পদৰ উপলব্ধি নিশ্চিত কৰা হ'ব। শিক্ষাৰ্থীৰ শিক্ষালাভ নিশ্চিত কৰাৰ বাবে সকলো শিক্ষকক সকলো স্তৰতে সহায় কৰিবলৈ নিবাৰক কাৰ্যসূচী হাতত লোৱা হ'ব।

f. স্কুলৰ কৰ্মসময়ত সকলো শিক্ষকে কোনো অনা-শিক্ষাদানমূলক কাৰ্যকলাপৰ দায়িত্ব পালনৰ (যেনে, দুপৰীয়াৰ আহাৰ প্ৰস্তুতকৰণ, স্কুলৰ বাবে প্ৰয়োজনীয় বজাৰ-সমাৰ কৰা, ইত্যাদি) দ্বাৰা সংঘটিত হ'ব পৰা কোনো ধৰণৰ **ব্যাঘাতৰ সন্মুখীন নোহোৱাকৈ শিক্ষাদান** কৰিবলৈ সক্ষম হ'ব লাগিব। বিপৰীতে, বিনা কাৰণত স্কুলত অনুপস্থিত থকা বা অনুমোদনহীন ছুটি কটোৱাৰ বাবে শিক্ষকসকলক জবাবদিহি কৰা হ'ব।

g. **সমগ্ৰ স্কুলতে শক্তিশালী বিকাশমূলক প্ৰক্ৰিয়া আৰু সহযোগিতামূলক স্কুল সংস্কৃতি নিৰ্মাণ কৰাৰ বাবে প্ৰতিজন প্ৰধান শিক্ষক আৰু/বা স্কুলৰ অধ্যক্ষ দায়বদ্ধ** হ'ব। স্কুল পৰিচালনা কমিটিক এই ক্ষেত্ৰত সহায়কৰ কৰি তোলা হ'ব আৰু স্কুল শিক্ষাৰ নিৰ্দেশালয়ে তেনে এক সংস্কৃতিক সমৰ্থন কৰিবলৈ নিজৰ কাৰ্যপ্ৰণালী পুনঃনিৰ্ধাৰিত কৰিব।

h. সকলো শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তি নিশ্চিত কৰিবলৈ শিক্ষক আৰু শিক্ষকৰ প্ৰশিক্ষকৰ বাবে **উচ্চ মান-সম্পন্ন সমল** ভাৰতীয় ভাষাত প্ৰণয়ন কৰা কাৰ্যক অগ্ৰাধিকাৰ দিয়া হ'ব।

i. মজুত থকা সকলো শৈক্ষিক সমৰ্থন প্ৰতিষ্ঠানক শক্তিশালী কৰি তোলাৰ বাবে প্ৰস্তুত এক বিশেষ আঁচনিৰে **শৈক্ষিক সমৰ্থন প্ৰতিষ্ঠানসমূহক পুনৰুজ্জীৱিত** কৰা কাৰ্যক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

j. এক নুন্যতম শিক্ষণ অভিজ্ঞতাৰ পিছত সকলো শিক্ষক **শৈক্ষিক প্ৰশাসন বা শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত যোগদান কৰিবলৈ সক্ষম হ'ব।** দীৰ্ঘকালীনভাৱে, সকলো শৈক্ষিক প্ৰশাসনমূলক পদক তেনে কৰ্মৰ প্ৰতি আগ্ৰহী অসাধাৰণ শিক্ষকৰ বাবে সংৰক্ষণ কৰা হ'ব।

## 6. দেশৰ প্ৰতিটো শিশুৰ বাবে সাম্য আৰু সৰ্বব্যাপী শিক্ষা

এই নীতিয়ে ভাৰতত সকলো শিশুৰ বাবে এনে এটা শিক্ষা ব্যৱস্থাৰ নিৰ্মাণৰ লক্ষ্য হাতত লৈছে যিটোৰ ফলত কোনো শিশুৱেই জন্ম বা পটভূমিমূলক পৰিস্থিতিসমূহৰ বাবে শিক্ষালাভ কৰা বা আগুৱাই যোৱাৰ কোনো ধৰণৰ সুবিধাৰ পৰা বঞ্চিত নহয়।

**উদ্দেশ্য:** এক সৰ্বব্যাপী আৰু সাম্য শিক্ষা ব্যৱস্থাৰ নিশ্চিতকৰণ যাতে সকলো শিশুৱে শিক্ষালাভ আৰু শ্ৰীবৃদ্ধিলাভ কৰিবলৈ সমান পৰিমাণৰ সুযোগ লাভ কৰে, আৰু যাতে 2030 চনৰ ভিতৰত সকলো লিংগ আৰু সামাজিক বৰ্গৰ ক্ষেত্ৰত অংশগ্ৰহণ আৰু শিক্ষালাভৰ ফলাফল সমপৰিমাণ হৈ পৰে।

a. প্ৰাৰম্ভিক শৈশৱ শিক্ষা, আধাৰমূলক সাক্ষৰতা আৰু সংখ্যা-জ্ঞান, স্কুললৈ প্ৰৱেশাধিকাৰ, নামভৰ্তি আৰু উপস্থিতিৰ সৈতে জড়িত নীতিমূলক পদক্ষেপসমূহ ক্ষেত্ৰত **কম-প্ৰতিনিধিত্ব লাভ কৰা গোটসমূহৰ শিক্ষাৰ্থীয়ে বিশেষ মনোযোগ আৰু সমৰ্থন লাভ** কৰিব।

b. দেশৰ অনগ্ৰসৰ অঞ্চলসমূহত **বিশেষ শিক্ষা ক্ষেত্ৰ** স্থাপন কৰা হ'ব। স্পষ্ট সামাজিক বিকাশ আৰু আৰ্থ-সামাজিক সূচকসমূহৰ ওপৰত ভিত্তি কৰি এনে ক্ষেত্ৰসমূহ নিৰ্ণয় কৰিবলৈ ৰাজ্যসমূহক উৎসাহ যোগোৱা হ'ব আৰু ৰাজ্যই ব্যয় কৰা প্ৰতিটো টকাৰ বাবে কেন্দ্ৰীয় চৰকাৰে 2:1 অনুপাতত আৰ্থিক সহায় প্ৰদান কৰিব। ইয়াৰ মূল উদ্দেশ্য হৈছে এনে ক্ষেত্ৰসমূহে কম-প্ৰতিনিধিত্ব লাভ কৰা গোটসমূহক অন্তৰ্ভুক্ত কৰি তোলাৰ বাবে এই নীতিত উল্লেখ কৰা সকলো বিষয়ৰ ওপৰতে সংঘবদ্ধ হৈ কাম কৰিব আৰু কেন্দ্ৰ আৰু ৰাজ্যই এনে কাৰ্যকলাপসমূহ সুক্ষ্মভাৱে নিৰীক্ষণ কৰিব।

c. কিছুমান **বিশেষ পদক্ষেপ** হ'ব **শিক্ষকসকলক** অবিৰতভাৱে সংবেদনশীল কৰি তেওঁলোকৰ সক্ষমতাৰ বিকাশ, শৈক্ষিকভাৱে কম-প্ৰতিনিধিত্ব লাভ কৰা গোটসমূহৰ পৰা শিক্ষকক নিযুক্তি প্ৰদান কৰিবলৈ এক বৈকল্পিক পথৰ সৃষ্টি, শৈক্ষিকভাৱে কম-প্ৰতিনিধিত্ব লাভ কৰা গোটসমূহৰ শিক্ষাৰ্থীয়ে অধ্যয়ন কৰা স্কুলসমূহত **শিক্ষাৰ্থী-শিক্ষকৰ অনুপাত** সৰ্বাধিক 25:1-ত প্ৰতিবন্ধিত কৰা, হাৰাশাস্তি, ভাবুকি আৰু লিংগ-কেন্দ্ৰিক হিংস্ৰতাৰ মোকামিলা আৰু বৰ্জনমূলক কাৰ্যকলাপ নাশ কৰিব পৰাকৈ ব্যৱস্থা স্থাপন কৰি **সৰ্বব্যাপী স্কুল পৰিবেশৰ** সৃষ্টি আৰু **পাঠ্যক্ৰমক** সৰ্বব্যাপী কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ।

d. শৈক্ষিক সমলৰ ৰাষ্ট্ৰীয় সঞ্চয়াগাৰত প্ৰতিজন শিক্ষাৰ্থীৰ আপ-টু-ডেট তথ্য সংৰক্ষণ কৰি ৰখা হ'ব আৰু **ডাটা বিশ্লেষণৰ** দায়িত্ব গ্ৰহণ কৰিব কেন্দ্ৰীয় শৈক্ষিক পৰিসংখ্যা বিভাগে।

e. এই নীতিয়ে কম-প্ৰতিনিধিত্ব লাভ কৰা গোটসমূহৰ শিক্ষাৰ্থীসকলক বৃত্তি প্ৰদান, তেওঁলোকৰ বাবে শৈক্ষিক সম্পদ আৰু সা-সুবিধাৰ বিকাশৰ বাবে বিশেষভাৱে সৃষ্ট এক ৰাষ্ট্ৰীয় পুঁজিৰ যোগেদি **শিক্ষাৰ্থীসকলক আৰ্থিক সহায়ৰ সুবিধা প্ৰদান** কৰিব, আৰু লগতে জিলা আৰু

প্ৰতিষ্ঠানসমূহত অন্তৰ্ভুক্তি আৰু সেইসমূহলৈ প্ৰৱেশাধিকাৰ লাভৰ বাবে লক্ষ্যিত আৰ্থিক সহায় আৰু সমৰ্থন প্ৰদান কৰিব। সমৰ্থন আগবঢ়োৱাৰ বৈকল্পিক মাধ্যম হ'ব - ৰাষ্ট্ৰীয় টিউটৰ কাৰ্যসূচী আৰু প্ৰতিকাৰমূলক নিৰ্দেশনামূলক সহায় কাৰ্যসূচীত নিযুক্তি, দুপৰীয়াৰ আহাৰৰ উপৰিও ৰাতিপুৱাৰ আহাৰ প্ৰদান, বিশেষ ইনটাৰ্ণশ্বীপৰ সুবিধা প্ৰদান। **সৰ্বব্যাপী শিক্ষাৰ ক্ষেত্ৰত হাতত লোৱা গৱেষণা**ৰ বাবেও আৰ্থিক পুঁজি উপলব্ধ কৰি তোলা হ'ব।

f. মহিলাৰ অংশগ্ৰহণ আৰু ছোৱালীৰ শিক্ষা বিষয়টোৰ অধীনত স্কুলৰ শিক্ষক আৰু ছাত্ৰীসকলৰ মাজত থকা **লিংগ অসাম্যতা, জনজাতি, জাত আৰু ধৰ্ম-আধাৰিত গোট**সমূহৰ শিক্ষা ইত্যাদিৰ ওপৰত কৰ্মপন্থা হাতত লোৱা হ'ব যাতে এই সম্প্ৰদায়সমূহৰ শিশুসমূহৰ বাবে নিৰ্দিষ্ট কৰা সকলো সা-সুবিধা তেওঁলোকে লাভ কৰাটো নিশ্চিত কৰিব পৰা যায়, আধাৰমূলক স্তৰৰ পৰা 12ম শ্ৰেণী পৰ্যন্ত কাষৰীয়া স্কুলত অধ্যয়নৰ সুবিধা প্ৰদান কৰি শিশুসকলক মূলসূতিৰ অংশ কৰি তোলাত নিৰৱিচ্ছিন্ন গুৰুত্ব প্ৰদানৰ যোগদি চহৰৰ দৰিদ্ৰ অঞ্চলত বসবাস কৰি থকা শিক্ষাৰ্থীসকলৰ সাহাৰ্যৰ বাবে **চহৰৰ দৰিদ্ৰ** পৰিয়ালসমূহৰ শিশুৰ শিক্ষা, **বিশেষ প্ৰয়োজনীয়তা** থকা শিশু আৰু লগতে **মধ্যম লিংগৰ শিশুসকল**ৰ শিক্ষা নিশ্চিত কৰাই হ'ল এই নীতিৰ আন দৃষ্টান্তমূলক পদক্ষেপ।

## 7. স্কুল কমপ্লেক্সসমূহৰ যোগেদি স্কুল শিক্ষাৰ প্ৰশাসন

**উদ্দেশ্য:** সম্পদৰ আদান-প্ৰদান আৰু স্কুলৰ প্ৰশাসনক অধিক স্থানীয়, প্ৰভাৱশালী আৰু দক্ষ কৰি তুলিবলৈ স্কুলসমূহক স্কুল কমপ্লেক্সলৈ গোটবদ্ধ কৰা হ'ব।

স্কুল কমপ্লেক্সৰ স্থাপনে চৰকাৰী স্কুলসমূহ, বিশেষকৈ ক্ষুদ্ৰ আকৃতিৰ স্কুলসমূহে বৰ্তমানে সন্মুখীন হোৱা সম্পদহীনতামূলক বহু সমস্যাৰ সমাধান সম্ভৱ কৰি তোলাত সহায় কৰিব। ভৌগোলিক অৱস্থান সলনি কৰাৰ প্ৰয়োজন নোহোৱাকৈ একাধিক চৰকাৰী স্কুলক একোটা প্ৰতিষ্ঠানিক আৰু প্ৰশাসনিক এককৰ অধীনলৈ অনা হ'ব আৰু ই শিক্ষাৰ্থীৰ বাবে প্ৰৱেশাধিকাৰত বাধাৰ সৃষ্টি নকৰাকৈ প্ৰভাৱশালী প্ৰশাসনীয় একক সৃষ্টি কৰাত সহায় কৰিব।

a. জনসংখ্যাৰ বিতৰণ, সংযোগশীলতা আৰু অন্য স্থানীয় কাৰকসমূহ বিৱেচনা কৰি ৰাজ্য চৰকাৰসমূহে 2023 চনৰ ভিতৰত **স্কুলসমূহক কমপ্লেক্সলৈ গোটবদ্ধ** কৰিব। এই গোটবদ্ধকৰণত অতি কম নামভৰ্তি হোৱা স্কুলসমূহৰ (যেনে, <20 শিক্ষাৰ্থী) সমীক্ষা আৰু একত্ৰীকৰণৰ কামো সামৰি লোৱা হ'ব। একেসময়তে, পৰিবহন আৰু যাতায়তজনিত সমস্যাসমূহৰ বাবে শিক্ষাৰ্থীৰ প্ৰৱেশাধিকাৰ প্ৰভাৱিত নোহোৱাটো নিশ্চিত কৰা হ'ব। ই ৰাজ্য চৰকাৰক মজুত স্কুলসমূহৰ এক মূল্যায়ন সম্পন্ন কৰাৰ সুবিধা প্ৰদান কৰিব।

b. স্কুল কমপ্লেক্সে ক্ষুদ্ৰ স্কুলসমূহৰ বিচ্ছিন্নতা দূৰ কৰিব আৰু শৈক্ষিক আৰু প্ৰশাসনিক দিশত সমূহীয়াকৈ কাম কৰিবলৈ আৰু পৰস্পৰক সহযোগিতা আগবঢ়াবলৈ **শিক্ষক আৰু অধ্যক্ষসকলৰ এক গোটৰ সৃষ্টি কৰিব।** স্কুল কমপ্লেক্স হ'ব চৰকাৰী স্কুল ব্যৱস্থাৰ প্ৰাথমিক প্ৰশাসনীয় একক।

c. এটা স্কুল কমপ্লেক্সত প্ৰায় 10-20 খন চৰকাৰী স্কুল থাকিব আৰু এইসমূহত এক সংযুক্ত/সামঞ্জস্যপূৰ্ণ ভৌগোলিক অঞ্চলৰ ভিতৰত প্ৰাৰম্ভিক আধাৰমূলক স্তৰৰ পৰা 12ম শ্ৰেণী পৰ্যন্ত শিক্ষা প্ৰদান কৰা হ'ব। মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হ'ব স্কুল কমপ্লেক্সৰ মুখিয়াল।

d. প্ৰতিটো স্কুল কমপ্লেক্স হ'ব এক **অৰ্ধ-স্বায়ত্বশাসিত একক** যি আধাৰমূলক স্তৰৰ পৰা 12ম শ্ৰেণী পৰ্যন্ত শিক্ষা প্ৰদান কৰিব আৰু ইয়াত এখন মাধ্যমিক স্কুলৰ (9-12ম শ্ৰেণী) লগতে কাষৰীয়া অঞ্চলসমূহত বুনিয়াদী/প্ৰস্তুতিমূলক আৰু মধ্য স্কুল শিক্ষা প্ৰদান কৰা সকলো চৰকাৰী বিদ্যালয় অন্তৰ্ভুক্ত হৈ থাকিব।

e. স্কুলসমূহক স্কুল কমপ্লেক্সলৈ গোটবদ্ধ কৰা কাৰ্যই **সকলো স্কুলৰ মাজত** বিষয় শিক্ষক, ক্ৰীড়া, সংগীত আৰু চিত্ৰকলাৰ শিক্ষক, মন্ত্ৰণাদাতা, সমাজকৰ্মী আদি **সম্পদসমূহৰ আদান-প্ৰদান সম্ভৱ** কৰি তুলিব। লগতে ই গৱেষণাগাৰ, গ্ৰন্থাগাৰ, আইচিটি সৰঞ্জাম,

বাদ্য, খেলৰ সামগ্ৰী, খেলপথাৰ ইত্যাদি আদিৰ দৰে সম্পদসমূহৰ সুসংগঠিত আদান-প্ৰদানৰ সুবিধা প্ৰদান কৰাৰ দ্বাৰা ৰাজহুৱা সম্পদ আৰু সুবিধাসমূহৰ সৰ্বাধিক ব্যৱহাৰ নিশ্চিত কৰি তুলিব।

f. এই নীতিৰ লক্ষ্য হ'ল এক সুন্দৰভাৱে সংযোগী ভৌগোলিক ক্ষেত্ৰত অৱস্থিত প্ৰাৰম্ভিক তিনিবছৰীয়া আধাৰমূলক শিক্ষা প্ৰদান কৰা স্কুল, বৃত্তিমূলক আৰু প্ৰাপ্তবয়স্ক শিক্ষা প্ৰদান কৰা প্ৰতিষ্ঠানসমূহ, শিক্ষকক সমৰ্থন কৰা প্ৰতিষ্ঠানসমূহ আৰু বিশেষ প্ৰয়োজনীয়তা থকা শিশুসকলক সমৰ্থন কৰিব পৰা প্ৰতিষ্ঠানসমূহক অন্তৰ্ভুক্ত কৰি **শৈক্ষিক সা-সুবিধাৰ এক সুসংগত সমষ্টি** সৃষ্টি কৰা, যাতে পৰস্পৰে পৰস্পৰৰ কামত সহায়-সমৰ্থন কৰিব পাৰে। জিলাখনত অৱস্থিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেও সহায়-সমৰ্থন (যেনে, শিক্ষকৰ পেছাদাৰী বিকাশত সহায়) আগবঢ়াব।

g. প্ৰতিটো কমপ্লেক্সৰ বাবে এক **ব্যাপক শিক্ষক বিকাশৰ আঁচনি** প্ৰস্তুত কৰা হ'ব আৰু সাপ্তাহিক সভা, শিক্ষক শিকন কেন্দ্ৰৰ দৰে পদক্ষেপৰ দ্বাৰা সহকৰ্মীৰ পৰা শিক্ষালাভৰ গোটসমূহক সচেতনভাৱে বিকাশ আৰু অব্যাহত ৰখা হ'ব। ইয়াৰ লগতে, পেছাদাৰী বিকাশ অব্যাহত ৰখাৰ অন্য পন্থা, যেনে, আলোচনাচক্ৰ, শ্ৰেণীৰ ভিতৰত পৰামৰ্শপ্ৰদান, পৰিচয়মূলক ভ্ৰমণ ইত্যাদিৰ সুবিধা প্ৰদান কৰা হ'ব। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ আৰু ব্লক আৰু ক্লাষ্টাৰ সম্পদ কেন্দ্ৰসমূহক সামৰি শৈক্ষিক আৰু শিক্ষক সমৰ্থন ব্যৱস্থাক স্কুল কমপ্লেক্স ব্যৱস্থাৰ সৈতে সংৰেখিত কৰা হ'ব।

h. কমপ্লেক্সটোত থকা সকলো স্কুলৰ লগতে সেই কমপ্লেক্সটোৰ সৈতে সংযুক্ত অন্য প্ৰতিষ্ঠানসমূহ, যেনে প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ, ক্লাষ্টাৰ সম্পদ কেন্দ্ৰ ইত্যাদিৰ প্ৰতিনিধিৰ দ্বাৰা প্ৰতিটো স্কুল কমপ্লেক্সৰ বাবে এখন **স্কুল কমপ্লেক্স পৰিচালনা কমিটি** গঠন কৰা হ'ব। ৰাজ্য আৰু ইয়াৰ নিকায়সমূহৰ সন্মুখত স্কুলৰ প্ৰতিনিধিত্ব কৰি মতামত ব্যক্তি কৰিবলৈ এই কমিটিসমূহক অধিকাৰ প্ৰদান কৰা হ'ব। এই কমিটিয়ে শিক্ষকৰ কাৰ্যদক্ষতা ব্যৱস্থাপনতো এক কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰিব।

i. প্ৰতিখন স্কুলে নিজৰ পৰিকল্পনা প্ৰস্তুত কৰিব, আৰু সেই পৰিকল্পনাসমূহ ব্যৱহাৰ কৰি **স্কুল কমপ্লেক্সটোৰ বাবে পৰিকল্পনা** প্ৰস্তুত কৰা হ'ব; লগতে এনে পৰিকল্পনা স্কুল শিক্ষা বিভাগৰ দ্বাৰা অনুমোদিত হ'ব। স্কুল ব্যৱস্থাৰ তত্ত্বাৱধান আৰু ইয়াৰ কাৰ্য-সম্পাদন আৰু সৰলীকৰণ সক্ষম কৰি তোলাৰ বাবে প্ৰতিখন জিলাতে **জিলা শিক্ষা পৰিষদ** থাকিব।

## ৪. স্কুল শিক্ষাৰ বিধিনিয়ম

**উদ্দেশ্য:** ভাৰতৰ স্কুল শিক্ষা ব্যৱস্থাক এনে প্ৰভাৱশালী বিধিনিয়ম আৰু স্বীকৃতি-প্ৰদান প্ৰক্ৰিয়াৰ দ্বাৰা সৰল কৰি তোলা হ'ব যি সততা আৰু স্বচ্ছতাৰ নিশ্চিতি প্ৰদান কৰিব আৰু শিক্ষাৰ ফলাফলসমূহ অবিৰতভাৱে উন্নততৰ কৰি তোলাৰ বাবে মানদণ্ড আৰু উদ্ভাৱনীশীলতাৰ অনুপ্ৰেৰণা প্ৰদান কৰিব।

বিধিনিয়ম প্ৰক্ৰিয়াই শৈক্ষিক উন্নতিৰ এক চালিকা শক্তিৰ ভূমিকা গ্ৰহণ কৰি ভাৰতৰ স্কুল শিক্ষা ব্যৱস্থাক সক্ৰিয় কৰি তোলা উচিত।

a. স্বাৰ্থজনিত সংঘাত আঁতৰোৱাৰ বাবে স্কুলৰ বিধিনিয়ম আৰু কাৰ্যপ্ৰক্ৰিয়া (সেৱামূলক ব্যৱস্থাসমূহ) পৃথক নিকায়ৰ দ্বাৰা সম্পন্ন কৰা হ'ব। **নীতি-নিৰ্ধাৰণ, নিয়ন্ত্ৰণ, কাৰ্যকলাপ আৰু শৈক্ষিক বিষয়সমূহৰ বাবে নিৰ্দিষ্ট, পৃথক ব্যৱস্থা** থাকিব।

b. প্ৰতিখন ৰাজ্যৰ বাবে অৰ্ধ-ন্যায়িক ক্ষমতাসহ **ৰাজ্যিক স্কুল ৰেগুলেটৰী অথৰিটি** নামৰ এক স্বতন্ত্ৰ ৰাজ্যিক বিধিনিয়ম নিকায় স্থাপন কৰা হ'ব, আৰু সমগ্ৰ ৰাজ্যখনৰ চৰকাৰী স্কুল ব্যৱস্থাৰ কাৰ্যপ্ৰণালী স্কুল শিক্ষাৰ ডাইৰেক্টৰেটৰ দ্বাৰা পৰিচালিত হ'ব।

c. বিধিনিয়ম এক স্কুলৰ মান মূল্যায়ন আৰু **স্বীকৃতি প্ৰদান সংৰচনাৰ দ্বাৰা নিৰ্মিত এক ব্যৱস্থাৰ ওপৰত আধাৰিত** হ'ব। এই সংৰচনাই কেৱল বুনিয়াদী স্থিতিমাপসমূহক সামৰি ল'ব আৰু লগতে স্কুল আৰম্ভ কৰাৰ বাবে লাইচেঞ্চক সূচিত কৰিব। স্ব-স্বীকৃতপ্ৰদানৰ দায়িত্ব স্কুলসমূহে নিজে বহন কৰিব যদিও এক নিৰীক্ষণ ব্যৱস্থা স্থাপন কৰা হ'ব। এই প্ৰক্ৰিয়া চৰকাৰী আৰু ব্যক্তিগত দুয়োটা প্ৰকাৰৰ স্কুলৰ বাবে প্ৰযোজ্য হ'ব।

d. বিধিনিয়মৰ প্ৰয়োগ বৰ্তমানৰ ইন্সপেক্টৰ-আধাৰিত পদ্ধতিৰ দ্বাৰা চালিত নহ'ব; পৰিৱৰ্তে, স্কুল সম্পৰ্কে সকলো প্ৰাসংগিক তথ্য ৰাজহুৱা ডমেইনত উপলব্ধ হৈ থকাৰ বাবে **পিতৃ-মাতৃ/অভিভাৱকসকল সঁচা অৰ্থত নিয়ন্ত্ৰক** হৈ পৰিব।

e. মানদণ্ড নিৰ্ধাৰণ আৰু ৰাজ্যত পাঠ্যক্ৰম নিৰ্ণয়ৰ দৰে শৈক্ষিক বিষয়সমূহৰ ক্ষেত্ৰত ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে নেতৃত্ব ল'ব। ৰাজ্যত স্কুল সমাপ্তিৰ স্তৰত শিক্ষাৰ্থীৰ দক্ষতাৰ পৰীক্ষাৰ দায়িত্ব মূল্যায়ন/পৰীক্ষা বোৰ্ডে গ্ৰহণ কৰিব আৰু এই বোৰ্ডে এই উদ্দেশ্য আগত ৰাখি সাৰ্থক ৰূপত পৰীক্ষা আয়োজিত কৰিব; অৱশ্যে, পাঠ্যক্ৰম নিৰ্ণয় কৰাত (পাঠ্যপুথিক সামৰি) তেওঁলোকৰ কোনো ভূমিকা নেথাকিব।

f. **ব্যক্তিগত জনকল্যাণমূলক স্কুলসমূহক** উৎসাহিত কৰা হ'ব আৰু তেনে স্কুলক বিধিনিয়মৰ নিয়ন্ত্ৰণ থকাৰ পৰা মুক্ত কৰি দিয়া হ'ব; একে সময়তে ব্যৱসায়িক উদ্দেশ্যৰে স্কুল চলাই থকা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক বন্ধ কৰা হ'ব।

g. **একে মানদণ্ড, মাপকাঠি আৰু প্ৰক্ৰিয়া ব্যৱহাৰ কৰি চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক নিয়ন্ত্ৰণ** কৰা হ'ব আৰু লগতে ব্যক্তিগত জনকল্যাণমূলক পদক্ষেপসমূহৰ লগতে জনকল্যাণমূলক ব্যক্তিগত স্কুলসমূহক উৎসাহিত কৰাটো সুনিশ্চিত কৰা হ'ব।

h. ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰতিখন ৰাজ্যৰ বাবে এক **স্কুলৰ মানদণ্ড মূল্যায়ন আৰু স্বীকৃতি-প্ৰদান সংৰচনা** প্ৰস্তুত কৰিব। ৰাজ্যিক স্কুল ৰেগুলেটৰী অথৰিটিয়ে এক স্বীকৃতি-প্ৰদান ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি এই সংৰচনা স্কুলসমূহ নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰিব।

i. স্কুলসমূহ আৰু স্কুল ব্যৱস্থাসমূহে পাঠ্যক্ৰম পচন্দ কৰাৰ ক্ষেত্ৰত শিথিলতা লাভ কৰিব, অৱশ্যে চয়নিত পাঠ্যক্ৰম ৰাষ্ট্ৰীয়/ৰাজ্যিক পাঠ্যক্ৰম সংৰচনা(সমূহ)ৰ সৈতে সংৰেখিত হ'ব লাগিব।

j. সকলো নিকায় আৰু প্ৰতিষ্ঠানে বাৰ্ষিক আৰু লগতে মধ্য-সময়কালীন (3-5 বছৰ) পৰিকল্পনা প্ৰস্তুত কৰিব। সংশ্লিষ্ট শীৰ্ষ-পৰ্যায়ৰ প্ৰশাসনীয় নিকায়ৰ দ্বাৰা এক ব্যৱস্থিত সমীক্ষা প্ৰক্ৰিয়াৰ ব্যৱস্থাও আৰম্ভ কৰা হ'ব।

k. ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা শিক্ষাৰ্থীৰ শিক্ষালাভৰ স্তৰৰ ওপৰত নমুনা-আধাৰিত **ৰাষ্ট্ৰীয় কৃতিত্ব জৰীপ** অব্যাহত ৰখা হ'ব। ৰাজ্যসমূহেও লোকপিয়ল-আধাৰিত ৰাজ্যিক মূল্যায়ন জৰীপ সম্পন্ন কৰাটো জাৰী ৰাখিব পাৰে।

l. **শিক্ষাৰ অধিকাৰ** স্কুল নিয়ন্ত্ৰণ আৰু প্ৰশাসনৰ বাবে এক সংবিধিবদ্ধ চালিকা-শক্তি হোৱা বাবে ইয়াক **সমীক্ষা** কৰা হ'ব, আৰু এই নীতিক অধিক সক্ষম কৰি তোলাৰ লগতে ইয়াক প্ৰয়োগ কৰা কালৰে পৰা আঁহৰণ কৰা জ্ঞান আৰু তথ্যৰ ওপৰত ভিত্তি কৰি উন্নত কৰি তোলাৰ লক্ষ্যৰে **সঠিক ৰূপত সংশোধন** কৰা হ'ব।

# উচ্চ শিক্ষা

# 1. নতুন প্ৰতিষ্ঠানিক গাঁঠনি

**উদ্দেশ্য:** উচ্চ শিক্ষা পদ্ধতিক উন্নত ৰূপ প্ৰদান, দেশজুৰি বিশ্বমানৰ প্ৰতিষ্ঠানৰ সৃষ্টি – মুঠ নিৱন্ধন অনুপাত 2035 চনৰ ভিতৰত অতি কমেও 50% লৈ বৃদ্ধি।

উন্নত-সম্পদ, কাৰ্যক্ষম বহুবিষয়ক প্ৰতিষ্ঠানৰ সৈতে বহুলভিত্তিত উচ্চ শিক্ষাৰ বাবে এক নতুন দৃষ্টিভংগী আৰু নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। বৰ্তমানৰ 800 বিশ্ববিদ্যালয় আৰু 40,000 মহাবিদ্যালয়ক প্ৰায় 15000 টা উৎকৃষ্ট প্ৰতিষ্ঠানলৈ সংঘবদ্ধ কৰা হ'ব।

a. এই নতুন উচ্চ শিক্ষা গাঁঠনিয়ে শক্তিশালী শৈক্ষিক সম্প্ৰদায় প্ৰতিষ্ঠাৰ লগতে লক্ষণীয়ভাৱে বিস্তৃত প্ৰসাৰ আৰু ক্ষমতা লাভ কৰি শিক্ষণ আৰু গৱেষণাত **বিশাল, সু-সম্পদশালী, সক্ৰিয় আৰু স্বায়ত্বশাসিত বহুবিষয়ক** প্ৰতিষ্ঠানৰ সৃষ্টি কৰিব, ভিন্ন বিষয় আৰু ক্ষেত্ৰৰ শিক্ষণ আঁচনিৰ সৈতে সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠান বহুবিষয়ক প্ৰতিষ্ঠানলৈ পৰিৱৰ্তন কৰা হ'ব।

b. ভিন্ন গুৰুত্বৰ ওপৰত ভিত্তি **কৰি তিনি প্ৰকাৰৰ উন্নত মানৰ প্ৰতিষ্ঠান স্থাপন কৰা** হ'ব –

- প্ৰথম প্ৰকাৰ যি সকলো বিষয়ত বিশ্ব-মানৰ গৱেষণা আৰু উন্নত মানৰ শিক্ষণত গুৰুত্ব দিব।
- দ্বিতীয় প্ৰকাৰ যি সকলো বিষয়ৰ গৱেষণালৈ গুৰুত্বপূৰ্ণ অৱদান নিশ্চিত কৰি উন্নত মানৰ শিক্ষণত গুৰুত্ব দিব।
- তৃতীয় প্ৰকাৰ যি প্ৰাক্-স্নাতক শিক্ষাৰ ক্ষেত্ৰত সকলো বিষয়ত উন্নত মানৰ শিক্ষণত গুৰুত্ব দিব।

c. এই পুনঃগাঁঠনি শৃংখলাবদ্ধভাৱে আৰু চিন্তাশীল ৰূপত কাৰ্যকৰী কৰা হ'ব, একত্ৰীকৰণ আৰু চলিত প্ৰতিষ্ঠানসমূহৰ পুনঃগাঁঠনি নতুনকৈ নিৰ্মাণ কৰা হ'ব। এই নতুন প্ৰতিষ্ঠান নিৰ্মাণৰ কাম আগবঢ়াই নিবলৈ **অভিযান নালন্দা আৰু অভিযান তক্ষশীলা** আৰম্ভ কৰা হ'ব। কিছু অগ্ৰণী প্ৰতিষ্ঠান, উদাৰ কলাৰ ভাৰতীয় প্ৰতিষ্ঠান/বহুবিষয়ক শিক্ষা আৰু গৱেষণাৰ বিশ্ববিদ্যালয়ক এই অভিযানসমূহৰ অংশ হিচাপে স্থাপন কৰা হ'ব।

d. সকলো প্ৰতিষ্ঠান হয় **বিশ্ববিদ্যালয়** অথবা **ডিগ্ৰী-প্ৰদানকাৰী স্বায়ত্বশাসিত মহাবিদ্যালয়** হ'ব।

e. এক নিৰপেক্ষ আৰু স্বচ্ছ পদ্ধতিৰে ৰাজহুৱা উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত **পৰ্যাপ্ত ৰাজহুৱা বিনিয়োগ** নিশ্চিত কৰা হ'ব।

f. **অনুন্নত ভৌগোলিক অঞ্চলসমূহত** উন্নত মানৰ প্ৰতিষ্ঠানৰ স্থাপন কাৰ্যত প্ৰাথমিকতা প্ৰদান কৰা হ'ব।

g. এই নতুন প্ৰতিষ্ঠানিক গাঁঠনিয়ে সকলো ক্ষেত্ৰকে সামৰি ল'ব, বৃত্তিমূলক ক্ষেত্ৰসমূহো ইয়াত অন্তৰ্ভূক্ত হ'ব।

## 2. উচ্চ মানৰ উদাৰ শিক্ষাৰ ওপৰত গুৰুত্ব

**উদ্দেশ্য:** নিৰ্বাচিত বিষয় আৰু ক্ষেত্ৰ বিশেষ বিশেষীকৰণৰ সৈতে সকলো ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নয়নৰ বাবে ভেঁটি হিচাপে অধিক সৃজনীশীল আৰু বিস্তৃত ৰূপৰ উদাৰ শিক্ষাৰ দিশলৈ অগ্ৰসৰ হোৱা।

সৃজনীশীল আৰু নমনীয় পাঠ্যক্ৰম সংৰচনাৰ জৰিয়তে সৰ্বাংগীন উন্নয়নৰ ভেঁটি নিৰ্মাণ কৰিবলৈ উদাৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলো প্ৰাক্-স্নাতক কাৰ্যসূচীক প্ৰস্তুত কৰা হ'ব, অধ্যয়নৰ বিষয়সমূহৰ সৃষ্টিমূলক সমন্বয়, আৰু সংহত কাৰ্যসূচী চলি থকা সময়ত প্ৰৱেশ তথা প্ৰস্থানৰ বাট খোলা থাকিব, নিৰ্বাচিত বিষয় আৰু ক্ষেত্ৰত বিশেষ বিশেষীকৰণ প্ৰদান কৰা হ'ব।

a. বিস্তৃতভাৱে বহু-বিষয় পৰিচয়ৰ সৈতে **উদাৰ শিক্ষা**, সাংবিধানিক মূল্যৰ উন্নয়নৰ অভিপ্ৰেত হ'ব উচ্চ শিক্ষাৰ ভেঁটি। ই গুৰুত্বপূৰ্ণ জীৱন সক্ষমতা বৃদ্ধি কৰিব, বিশুদ্ধ বিষয়ক বোধক্ষমতা আৰু সামাজিক-নৈতিক অংশগ্ৰহণৰ এক নীতি বিকাশ কৰিব। প্ৰাক্-স্নাতক স্তৰত সকলো বিষয়ৰ জৰিয়তে, কাৰ্যসূচী আৰু ক্ষেত্ৰ, পেছাদাৰী আৰু বৃত্তিমূলক ক্ষেত্ৰকো অন্তৰ্ভুক্ত কৰি এই লক্ষ্যত উপনীত হ'ব পৰা যাব।

b. ভাৰতীয় ঔদ্যোগিক সংস্থানৰ মান আৰু আৰ্হিত কেন্দ্ৰই দহখন উদাৰ কলাৰ ভাৰতীয় প্ৰতিষ্ঠান/বহুবিষয়ক শিক্ষা আৰু গৱেষণাৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিব।

c. **সৃজনীশীল আৰু নমনীয় পাঠ্যক্ৰম সংৰচনাই** বৰ্তমান প্ৰচলিত অনমনীয় সীমা ধ্বংস আৰু জীৱনজোৰা শিক্ষা লাভৰ সম্ভাৱনীয়তা সৃষ্টি কৰি অধ্যয়নৰ বিষয়সমূহৰ সৃষ্টিমূলক সমন্বয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উপযোগীকৈ একাধিক প্ৰৱেশ আৰু প্ৰস্থানৰ সুবিধা প্ৰদান কৰিব। স্নাতক (স্নাতকোত্তৰ আৰু ডক্টৰেট) স্তৰৰ শিক্ষাই বিশুদ্ধ গৱেষণা-আধাৰিত বিশেষীকৰণৰ সুবিধা প্ৰদান কৰিব।

d. প্ৰাক্-স্নাতক ডিগ্ৰী 3 বা 4 বছৰীয়া হ'ব। উপযুক্ত প্ৰমাণপত্ৰৰ জৰিয়তে এই কালছোৱাত প্ৰতিষ্ঠানসমূহে **একাধিক প্ৰস্থানৰ বিকল্প** প্ৰদান কৰিব পাৰিব, এটা বিষয় বা ক্ষেত্ৰত (পেছাদাৰী আৰু বৃত্তিমূলক পাঠ্যক্ৰমক সামৰি) 2 বছৰ অধ্যয়নৰ পাছত এডভান্স ডিপ্লমা অথবা 1 বছৰ অধ্যয়নৰ পাছত এক চাৰ্টিফিকেট প্ৰদান কৰিব পাৰিব।

e. উদাৰ শিক্ষাৰ পূৰ্ণ পৰিসৰৰ অভিজ্ঞতা লাভ কৰিবলৈ 4 বছৰীয়া কাৰ্যসূচীয়ে সুবিধা প্ৰদান কৰিব। ইয়াক নিৰ্বাচিত মুখ্য আৰু গৌণৰ **উদাৰ কলাৰ স্নাতক** (Bachelor of Liberal Arts) ৰূপে অভিহিত কৰা হ'ব। 3 বছৰীয়া কাৰ্যসূচীয়ে স্নাতক ডিগ্ৰীলৈ আগবঢ়াই নিব। যদি ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা কৰ্ম হাতত লয় তেন্তে দুয়োটা কাৰ্যসূচীয়ে 'সন্মানসহ' ডিগ্ৰীলৈ আগবঢ়াই নিব।

f. প্ৰাক্-স্নাতক ডিগ্ৰীৰ বাবে কেৱল নিৰ্দিষ্ট পেছাদাৰী শাখাৰ (যেনে শিক্ষকৰ শিক্ষা, আভিযান্ত্ৰিক, ঔষধ, আইন) বাবে 4 বছৰৰ (অথবা অধিক) সময়সীমা থাকিব।

g. প্ৰতিষ্ঠানসমূহে ভিন্ন আৰ্হিৰ স্নাতকোত্তৰ পাঠ্যক্ৰমসমূহ নিজাকৈ প্ৰস্তুত কৰিব পৰাৰ সুবিধা থাকিব। উদাহৰণস্বৰূপে, 3 বছৰীয়া প্ৰাক্-স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰা শিক্ষাৰ্থীসকলৰ বাবে দুবছৰীয়া কাৰ্যসূচীৰ দ্বিতীয় বৰ্ষটো সম্পূৰ্ণৰূপে গৱেষণা-আধাৰিত হ'ব পাৰিব; 5 বছৰীয়া সংহত স্নাতকোত্তৰ ডিগ্ৰী কাৰ্যসূচীও থাকিব পাৰে; আৰু সন্মানসহ 4 বছৰীয়া প্ৰাক্-স্নাতক ডিগ্ৰী সমাপ্ত কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে 1 বছৰীয়া স্নাতকোত্তৰ কাৰ্যসূচী থাকিব।

h. পিএইচডি কৰ্মৰ বাবে স্নাতকোত্তৰ ডিগ্ৰী অথবা 4 বছৰীয়া সন্মানসহ প্ৰাক্-স্নাতক ডিগ্ৰীৰ প্ৰয়োজন হ'ব। এমফিল ডিগ্ৰীৰ কাৰ্যসূচী অন্ত পেলোৱা হ'ব।

## 3. শিকন-সহায়ক পৰিৱেশৰ সৃষ্টি

**উদ্দেশ্য:** এক উপভোগ্য, পুংখানুপুংখ আৰু সংবেদনশীল পাঠ্যক্ৰম, আকৰ্ষণীয় আৰু প্ৰভাৱশালী শিক্ষাবিজ্ঞান, আৰু নিখুঁত শিকনলৈ সমৰ্থন আৰু শিক্ষাৰ্থীৰ সামগ্ৰিক উন্নয়ন নিশ্চিতকৰণ।

পাঠ্যক্ৰম আৰু শিক্ষাবিজ্ঞানে যুৱ সমাজে গণতন্ত্ৰৰ সক্ৰিয় নাগৰিক আৰু যিকোনো ক্ষেত্ৰতে সফল পেছাদাৰী ব্যক্তি ৰূপে অৱদান আগবঢ়াবলৈ উচ্চ শিক্ষাত তথ্যৰ মুখস্থবিদ্যা আৰু যান্ত্ৰিক পদ্ধতিসমূহৰ অন্ত পেলাব।

a. সঞ্জীৱিত আৰু পুংখানুপুংখ পাঠ্যক্ৰম উন্নয়নৰ পদ্ধতি **ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অৰ্হতা সংৰচনাৰ** (National Higher Education Qualifications Framework) দ্বাৰা নিৰ্দেশিত হ'ব, যি ভিন্ন ক্ষেত্ৰ আৰু বিষয়ত আগবঢ়োৱা ডিগ্ৰী/ডিপ্লমা/চাৰ্টিফিকেটৰ লগত জড়িত ফলাফলৰ ৰূপৰেখা দাঙি ধৰিব। শৈক্ষিক আৰু পেছাদাৰী/বৃত্তিমূলক ক্ষেত্ৰৰ মাজৰ সমতা আৰু গতিশীলতা নিশ্চিত কৰিবলৈ এই সংৰচনাক ৰাষ্ট্ৰীয় কৌশল অৰ্হতা সংৰচনাৰ (National Skills Qualifications Framework) সৈতে সংৰেখিত কৰা হ'ব।

b. **পছন্দ আধাৰিত ক্ৰেডিট পদ্ধতিক** (Choice Based Credit System) নমনীয় আৰু নব্য উদ্ভাৱন নিশ্চিত কৰাৰ বাবে সংশোধন আৰু উন্নত কৰা হ'ব।

c. প্ৰভাৱশালী শিক্ষণবিজ্ঞানৰ অনুশীলনৰ দ্বাৰা প্ৰেৰণাদায়ক শিকন অভিজ্ঞতা প্ৰদান কৰা হ'ব; ইয়াৰ লগতে সমাজৰ লগত জড়িত হ'বলৈ সকলো ছাত্ৰ-ছাত্ৰীকে অৰ্থবহ সা-সুবিধা প্ৰদান কৰা হ'ব। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ মূল্যায়নৰ লগতে বহুলভিত্তিত সক্ষমতা আৰু স্বভাৱ-চৰিত্ৰৰ দিশতো গুৰুত্ব দিয়া হ'ব।

d. উন্নত ফলাফলৰ লাভ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক **শৈক্ষিক, অৰ্থনৈতিক, আৰু আৱেগিক সাহাৰ্য** প্ৰদান কৰা হ'ব।

e. **মুক্ত আৰু দূৰ শিকন** (Open and distance learning) সম্প্ৰসাৰিত কৰা হ'ব, ই মুঠ নামভৰ্তিৰ অনুপাত 50% লৈ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। শ্ৰেণী কাৰ্যসূচীসমূহৰ উন্নত মান নিশ্চিত কৰিবলৈ অনলাইন ডিজিটেল কোষ, গৱেষণাৰ বাবে পুঁজি, ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ সেৱাৰ উন্নয়ন, বৃহৎ মুক্ত অনলাইন পাঠ্যক্ৰমসমূহৰ (MOOC) ক্ৰেডিট-ভিত্তিৰ মান্যতাৰ ব্যৱস্থা ইত্যাদি গ্ৰহণ কৰা হ'ব।

f. প্ৰতিষ্ঠানিক সহযোগিতা আৰু শিক্ষাৰ্থী তথা শিক্ষকৰ মাজত সজাগতাৰ সৃষ্টি কৰি শিক্ষাৰ **আন্তৰ্জাতিকীকৰণ** সহজতৰ কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ বাবে নিৰ্বাচিত ভাৰতীয় বিশ্ববিদ্যালয়ৰ মাজত এটা আন্তঃবিশ্ববিদ্যালয়ৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হ'ব।

## 4. সক্ৰিয়, পৰিশ্ৰমী আৰু সক্ষম শিক্ষক

**উদ্দেশ্য:** শিক্ষকক কৰ্মদক্ষ আৰু পৰিশ্ৰমী কৰি তোলা, শিক্ষণ আৰু গৱেষণাত শ্ৰেষ্ঠতাৰ বাবে সক্ৰিয় কৰি তোলা।

উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ কৃতকাৰ্যতাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান হৈছে সেইবিলাক মানদণ্ড আৰু শিক্ষকৰ নিযুক্তি। এই নীতিয়ে পুনৰ শিক্ষকক উচ্চ শিক্ষাৰ অন্তঃভাগত প্ৰৱেশ কৰিবলৈ পথ দেখুৱাব।

a. প্ৰতিটো প্ৰতিষ্ঠানতে সকলো কাৰ্যসূচী, বিষয় আৰু ক্ষেত্ৰৰ প্ৰয়োজনীয়তা নিশ্চিত কৰিব পৰাকৈ পৰ্যাপ্ত শিক্ষক থাকিব, এক কাম্য শিক্ষক-ছাত্ৰৰ অনুপাত (30:1-ৰ অধিক নহয়) ৰক্ষা আৰু বৈচিত্ৰ সুনিশ্চিত কৰা হ'ব।

b. ব্যাপকভাৱে চলি থকা অস্থায়ী, ঠিকাভিত্তিক নিযুক্তি তৎক্ষণাত বন্ধ কৰা হ'ব।

c. শৈক্ষিক অভিজ্ঞতা, শিক্ষণ দক্ষতা আৰু জনসেৱাৰ মানসিকতাৰ ওপৰত ভিত্তি কৰি শিক্ষক নিযুক্তি কৰা হ'ব।

d. শিক্ষকসকলৰ বাবে সঠিকভাৱে পৰিকল্পিত এক স্থায়ী নিযুক্তি (ম্যাদ) নিৰীক্ষণ পদ্ধতি প্ৰৱৰ্তন কৰা হ'ব - 2030 চনৰ ভিতৰত ই সকলো প্ৰতিষ্ঠানৰ বাবে সম্পূৰ্ণভাৱে কাৰ্যকৰী হ'ব, ব্যক্তিগত প্ৰতিষ্ঠানসমূহো ইয়াৰ অন্তৰ্ভুক্ত হ'ব।

e. শিক্ষকসকলক শৈক্ষিক স্বাধীনতাৰ সৈতে গৱেষণা আগবঢ়াই নিয়া আৰু পাঠ্যক্ৰমৰ বাবে পাঠ নিৰ্বাচনৰ ক্ষমতা দিয়া হ'ব।

f. সকলো প্ৰতিষ্ঠানে শিক্ষকসকলৰ বাবে এক অবিৰত পেছাদাৰী বিকাশ পৰিকল্পনা সৃষ্টি কৰিব আৰু ইয়াৰ প্ৰয়োগ প্ৰক্ৰিয়া নিৰ্দ্ধাৰণ কৰিব। এই পৰিকল্পনাই অধ্যয়ন ক্ষেত্ৰ/বিষয় শিক্ষাবিজ্ঞানগত দক্ষতা, গৱেষণা আৰু অনুশীলনলৈ বৰঙণিক সামৰি ল'ব।

g. শিক্ষকৰ নিযুক্তি আৰু বিকাশ, কেৰিয়াৰ উন্নতি, ক্ষতিপূৰণ ব্যৱস্থাপনা ইত্যাদি প্ৰতিটো প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠানিক উন্নয়ন পৰিকল্পনাৰ অংশ হ'ব।

## 5. সৰলীকৃত প্ৰশাসন আৰু স্বায়ত্বশাসন

**উদ্দেশ্য:** দক্ষ আৰু নৈতিকতাসম্পন্ন নেতৃত্বৰ সৈতে স্বাধীন, স্ব-শাসিত উচ্চ শিক্ষা প্ৰতিষ্ঠান।

উচ্চ মানৰ শিক্ষা আৰু গৱেষণাৰ বাবে এক পোষণ সংস্কৃতিত বৌদ্ধিক আলোড়নৰ প্ৰয়োজন – উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ প্ৰশাসনে এই সংস্কৃতি নিৰ্ধাৰিত কৰে।

a. সম্পূৰ্ণ শৈক্ষিক আৰু প্ৰশাসনিক ক্ষমতাৰ সৈতে, উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহ **স্বাধীন বৰ্ডৰ** দ্বাৰা পৰিচালিত হ'ব। বৰ্ডৰ গঠন আৰু নিযুক্তিত অধ্যক্ষ, উপাচাৰ্য/নিৰ্দেশকে (মুখ্য কাৰ্যকৰী) চৰকাৰ আৰু আন বহিঃহস্তক্ষেপ বৰ্জন নিশ্চিত কৰিব আৰু প্ৰতিষ্ঠানত দায়বদ্ধ উচ্চ-দক্ষ ব্যক্তিৰ নিয়োগ সম্ভৱ কৰি তুলিব।

b. সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠান **স্বায়ত্বশাসিত স্ব-পৰিচালিত সত্বা** হ'ব আৰু 'স্বীকৃতিকৰণ'ৰ (affiliation) চলিত নিয়ম বন্ধ হ'ব। 'স্বীকৃতি মহাবিদ্যালয়সমূহ'ক স্বায়ত্বশাসিত ডিগ্ৰী প্ৰদানকাৰী মহাবিদ্যালয়লৈ উন্নীত কৰা হ'ব আৰু 'শাখা বিশ্ববিদ্যালয়সমূহক' সঞ্জীৱিত বহুবিষয়ক প্ৰতিষ্ঠানলৈ উন্নীত কৰা হ'ব।

c. নিয়ন্ত্ৰক ব্যৱস্থাৰ দ্বাৰা **ব্যক্তিগত আৰু ৰাজহুৱা প্ৰতিষ্ঠান**সমূহক সমপৰ্যায়ৰ ৰূপে গণ্য কৰা হ'ব। শিক্ষাৰ বাণিজ্যিকীকৰণ বন্ধ কৰা হ'ব আৰু জনহিতৈষী প্ৰচেষ্টাক উৎসাহিত কৰা হ'ব।

d. **স্বায়ত্বশাসনক ব্যৱস্থাৰ ক্ষেত্ৰত** ইয়াৰ সংস্কৃতি, সংৰচনা আৰু প্ৰক্ৰিয়াত **গভীৰলৈকে সুসংহত কৰা হ'ব।** শিক্ষাবিজ্ঞানগত দৃষ্টিভংগী, শিক্ষাৰ্থীৰ মূল্যায়ন আৰু গৱেষণাৰ অন্তৰ্ভুক্তিৰে শিক্ষকসকলক শৈক্ষিক স্বাধীনতা আৰু পাঠ্যক্ৰম নিৰ্ধাৰণৰ অধিকাৰ দিয়া হ'ব। প্ৰতিষ্ঠানসমূহৰ প্ৰশাসনিক আৰু শৈক্ষিক স্বায়ত্বশাসন থাকিব। ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত স্বাধীনতাসমূহ হ'ব – নতুন কাৰ্যসূচী আৰম্ভ আৰু প্ৰচলন, পাঠ্যক্ৰম নিৰ্ধাৰণ, ছাত্ৰৰ ধাৰণক্ষমতা নিৰ্ধাৰণ, প্ৰয়োজনীয় সম্পদ নিৰ্ধাৰণ আৰু সেইসমূহৰ অন্তৰ্ভাগৰ ব্যৱহাৰ উন্নয়ন, পৰিচালনা আৰু কৰ্মচাৰীৰ ব্যৱস্থাপনা ইত্যাদি। সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠান প্ৰকৃতাৰ্থত স্বায়ত্বশাসিত, স্বাধীন আৰু স্ব-পৰিচালিত সত্বা হ'ব।

## 6. নিয়ন্ত্ৰণ পদ্ধতিৰ ৰূপান্তৰণ

**উদ্দেশ্য:** উচ্চ শিক্ষাত শ্ৰেষ্ঠত্ব আৰু জন-আস্থিকতা সম্ভৱ কৰি তুলিবৰ বাবে প্ৰভাৱশালী, সক্ৰিয় আৰু সংবেদনশীল প্ৰবিধান।

জন-আস্থিকতা, ন্যায়, শ্ৰেষ্ঠত্ব, অৰ্থনৈতিক স্থিৰিৰতা আৰু সততাৰ লগতে সু-পৰিচালনাক সুনিশ্চিত কৰিবৰ বাবে প্ৰবিধানসমূহ হ'ব সংবেদনশীল আৰু সহজসাধ্য।

a. **গুণমানমূলক শৈলী, পুঁজি, প্ৰত্যায়ন আৰু প্ৰবিধানৰ** কাৰ্য্যাৱলী পৃথক আৰু **স্বাধীন সংস্থাৰ** দ্বাৰা পৰিচালিত হ'ব, ক্ষমতাৰ কেন্দ্ৰীকৰণ আৰু স্বাৰ্থমূলক সংঘাত দূৰ কৰা হ'ব।

b. পেছাদাৰী শিক্ষাক সামৰি উচ্চ শিক্ষাৰ বাবে **ৰাষ্ট্ৰীয় উচ্চ শিক্ষা নিয়ন্ত্ৰক কৰ্তৃপক্ষ** হ'ব একমাত্ৰ নিয়ন্ত্ৰক। বৰ্তমানৰ সকলো নিয়ন্ত্ৰক সংস্থা পেছাদাৰী মানসম্পন্ন নিশ্চিতকৰণ সংস্থালৈ ৰূপান্তৰ হ'ব।

c. বৰ্তমানৰ বিশ্ববিদ্যালয় অনুদান আয়োগ উচ্চ শিক্ষা অনুদান পৰিষদলৈ ৰূপান্তৰ হ'ব।

d. উচ্চ শিক্ষাৰ বাবে 'স্নাতক গুণাগুণ' অৰ্থাৎ 'আকাংখিত শিকনৰ ফলাফল'ৰ সংজ্ঞা নিৰূপণ কৰিবলৈ সাধাৰণ শিক্ষা পৰিষদ স্থাপন কৰাৰ লগতে ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অৰ্হতা সংৰচনাৰ বিকাশ কৰা হ'ব।

e. **সাধাৰণ মানদণ্ডৰ প্ৰত্যায়নে প্ৰবিধানৰ বাবে ভিত্তি গঠন কৰিব।** ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদে প্ৰত্যায়ন প্ৰতিষ্ঠানসমূহ আৰু প্ৰক্ৰিয়া তত্বাৱধানৰ এক পৰিৱেশৰ বিকাশ সাধন কৰিব।

f. **ব্যক্তিগত আৰু ৰাজহুৱা উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ এক সাধাৰণ নিয়ন্ত্ৰক ব্যৱস্থা** থাকিব। **ব্যক্তিগত জনহিতৈষী প্ৰচেষ্টাক** উৎসাহিত কৰা হ'ব।

g. উচ্চ শিক্ষাৰ ৰাজ্যিক বিভাগসমূহ নীতি-নিৰ্ধাৰণৰ স্বৰত জড়িত থাকিব; উচ্চ শিক্ষাৰ ৰাজ্যিক পৰিষদে সহযোগিতা আৰু উৎকৃষ্ট অনুশীলনৰ আদান-প্ৰদানৰ সুবিধা প্ৰদান কৰিব।

# শিক্ষক শিক্ষা

# 1. উপযুক্ত শিক্ষক প্ৰস্তুতি

**উদ্দেশ্য:** শিক্ষক শিক্ষা পদ্ধতিক বহুবিষয়ক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়লৈ স্থানান্তৰ আৰু সকলো বিদ্যালয় শিক্ষকৰ বাবে অতি কমেও চাৰি বছৰীয়া সংহত স্নাতক ডিগ্ৰী প্ৰৱৰ্তন কৰি বিষয়-বস্তু, শিক্ষাবিজ্ঞান আৰু অনুশীলনৰ ক্ষেত্ৰত শিক্ষকসকল বাবে উন্নত মানৰ প্ৰশিক্ষণ নিশ্চিতকৰণ।

শিক্ষণ হৈছে নৈতিকতা আৰু বৌদ্ধিকতাৰ দিশৰ পৰা এক কষ্টকৰ পেছা। নতুন শিক্ষকসকলক উপযুক্ত প্ৰস্তুতি আৰু কৰ্মৰত শিক্ষকসকলক অবিৰত পেছাগত উন্নতি তথা শৈক্ষিক আৰু পেছাগত সহযোগিতাৰ প্ৰয়োজন।

a. শিক্ষক প্ৰস্তুতিৰ বাবে **4 বছৰীয়া সংহত শিক্ষাৰ স্নাতক কাৰ্যসূচীক** এক প্ৰাক্-স্নাতক অধ্যয়ন কাৰ্যসূচী ৰূপে বহু-বিষয়ক প্ৰতিষ্ঠানসমূহত প্ৰৱৰ্তন কৰা হ'ব, বিষয়গত আৰু শিক্ষক প্ৰস্তুতিৰ পাঠ্য দুয়োটাই ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব। ই হ'ব পৰ্যায়-নিৰ্দিষ্ট আৰু বিষয়-নিৰ্দিষ্ট কাৰ্যসূচী, ইয়াৰ দ্বাৰা প্ৰাক্-বিদ্যালয় স্তৰৰ পৰা মাধ্যমিক (দ্বাদশ শ্ৰেণী) পৰ্য্যায়ৰ শিক্ষকক সকলো বিষয়ৰ বাবে প্ৰস্তুত কৰি তোলা হ'ব; কলা আৰু ক্ৰীড়া তথা যিসকলে বৃত্তিমূলক শিক্ষা অথবা এক বিশেষ শিক্ষাত গুৰুত্ব দি আছে তেওঁলোকো ইয়াৰ অন্তৰ্ভুক্ত হ'ব।

b. 4 বছৰীয়া শিক্ষাৰ স্নাতক ডিগ্ৰী অন্যান্য প্ৰাক্-স্নাতক ডিগ্ৰীৰ সমপৰ্য্যায়ৰ হ'ব আৰু 4 বছৰীয়া শিক্ষাৰ স্নাতক শিক্ষাৰ্থীয়ে স্নাতকোত্তৰ ডিগ্ৰীৰ কাৰ্যসূচীত যোগ দিব পাৰিব।

c. বৰ্তমানৰ দুই-বছৰীয়া শিক্ষাৰ স্নাতক কাৰ্যসূচী 2030 চনলৈ চলি থাকিব। 2030 চনৰ পিছত, যিবিলাক প্ৰতিষ্ঠানে 4 বছৰীয়া শিক্ষক শিক্ষাৰ কাৰ্যসূচী প্ৰদান কৰিব কেৱল সেইসমূহেহে 2 বছৰীয়া কাৰ্যসূচী অব্যাহত ৰাখিব পাৰিব। এই কাৰ্যসূচী স্নাতক ডিগ্ৰীধাৰীৰ বাবে প্ৰদান কৰা হ'ব।

d. 2030 চনৰ পাছত কোনোধৰণৰ প্ৰাক্-সেৱা শিক্ষক প্ৰস্তুতি কাৰ্যসূচী নাথাকিব।

e. কেৱল **বহু-বিষয়ক প্ৰতিষ্ঠানসমূহেহে** শিক্ষক শিক্ষা প্ৰদান কৰিব। উন্নত প্ৰাক্-সেৱা শিক্ষক প্ৰস্তুতিৰ কাৰণে শিক্ষা সম্বন্ধীয় দৃষ্টিকোণৰ যথাযথ উপলব্ধিৰ বাবে এক সবল তত্ব-অনুশীলন সংযোগক সামৰি শৈক্ষিক দৃষ্টিকোণ, বিষয় আৰু শিক্ষাবিজ্ঞানৰ তাত্বিক উপলব্ধিৰ প্ৰয়োজন – ইয়াৰ বাবে বিদ্যালয়সমূহৰ মাজত নেটৱৰ্ক স্থাপনৰ লগতে শিক্ষাৰ মুখ্য ক্ষেত্ৰ আৰু স্কুলত পাঠদান কৰা সকলো বিষয়ৰ ওপৰত দক্ষতা থকা ব্যক্তিৰ প্ৰয়োজন।

f. নিকৃষ্ট মানৰ আৰু **নিষ্ক্ৰিয়** শিক্ষক শিক্ষা প্ৰতিষ্ঠানসমূহ **বন্ধ কৰি দিয়া** হ'ব।

# পেছাদাৰী শিক্ষা

## 2. পেছাদাৰী শিক্ষাক উচ্চ শিক্ষালৈ পুনঃসংযোগকৰণ, পেছাদাৰী শিক্ষা পুনৰুজ্জীৱিতকৰণ

**উদ্দেশ্য:** উচ্চমানৰ পেছাদাৰী সক্ষমতাৰ ওপৰিও বহুল-আধাৰৰ সক্ষমতা আৰু 21 শতিকাৰ কৌশলসমূহ নিশ্চিত, সামাজিক-মানৱ প্ৰসংগত এক উপলব্ধি নিশ্চিত, এক শক্তিশালী নৈতিক দিশ নিশ্চিত কৰি পেছাদাৰীসকলৰ প্ৰস্তুতিৰ প্ৰতি এক সামগ্ৰিক দৃষ্টিভংগীৰ নিৰ্মাণ।

পেছাদাৰীসকলৰ প্ৰস্তুতিত নৈতিক আৰু জনস্বাৰ্থৰ শিক্ষা, নিয়মানুৱৰ্তীতাৰ শিক্ষা, প্ৰয়োগযোগ্য শিক্ষা অন্তৰ্ভুক্ত হৈ থকাটো অতি গুৰুত্বপূৰ্ণ। এইটো সম্ভৱ কৰি তুলিবৰ বাবে, পেছাদাৰী শিক্ষা বিশেষভাৱে বিচ্ছিন্ন পৰিৱেশত সংঘটিত হ'ব নেলাগিব।

a. পেছাদাৰী শিক্ষা হ'ব সামগ্ৰিক **উচ্চ শিক্ষা পদ্ধতিৰ এক অখণ্ড অংশ।** স্বাধীন কাৰিকৰী বিশ্ববিদ্যালয়, স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, আইন আৰু কৃষি বিশ্ববিদ্যালয় অথবা এনেধৰণৰ বা আন ক্ষেত্ৰৰ প্ৰতিষ্ঠানসমূহ বন্ধ কৰি দিয়া হ'ব। 2030 চনৰ ভিতৰত পেছাদাৰী বা সাধাৰণ শিক্ষা প্ৰদান কৰা প্ৰতিষ্ঠানসমূহ বাধ্যতামূলকভাৱে এই দুয়ো ধৰণৰ শিক্ষা প্ৰদানকাৰী প্ৰতিষ্ঠানৰ ৰূপত বিকাশ লাভ কৰিব লাগিব।

b. সম্বন্ধযুক্ত বিষয়ৰ সৈতে **কৃষি শিক্ষাক** পুনৰুজ্জীৱিত কৰা হ'ব। দেশত থকা কৃষি বিশ্ববিদ্যালয়ৰ সংখ্যা সকলো বিশ্ববিদ্যালয়ৰ 9% হ'লেও কৃষি আৰু ইয়াৰ সম্বন্ধযুক্ত বিজ্ঞানত নামভৰ্তিৰ পৰিমাণ উচ্চ শিক্ষাত মুঠ নামভৰ্তি 1%-কৈ কম। দক্ষ স্নাতক আৰু প্ৰযুক্তি-বিশেষজ্ঞৰ দ্বাৰা কৃষি উৎপাদন বৃদ্ধি কৰিবলৈ কৃষি আৰু ইয়াৰ সম্বন্ধযুক্ত বিষয়ৰ ধাৰণক্ষমতা আৰু গুণাগুণ দুয়োটাৰে বিকাশ কৰিব লাগিব, উদ্ভাৱনীমূলক গৱেষণা আৰু বজাৰ-ভিত্তিক প্ৰসাৰণক প্ৰযুক্তি আৰু প্ৰয়োগৰ সৈতে সংযোজিত কৰিব লাগিব। সাধাৰণ শিক্ষাৰ সৈতে সংহত কাৰ্যসূচীৰ জৰিয়তে কৃষি আৰু পশুচিকিৎসা বিজ্ঞানত পেছাদাৰী লোক প্ৰশিক্ষিত কৰাৰ **সক্ষমতা** তীব্ৰগতিত বৃদ্ধি পাব। ভূমিৰ উৎপাদন ক্ষমতা হ্ৰাস, জলবায়ু পৰিৱৰ্তন, আমাৰ বৰ্দ্ধিত জনসংখ্যাৰ বাবে খাদ্যৰ পৰ্য্যাপ্ততা ইত্যাদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ মনত ৰাখি স্থানীয় জ্ঞান, পৰম্পৰাগত জ্ঞান আৰু নব্য প্ৰযুক্তিসমূহ বুজি পোৱাৰ লগতে ব্যৱহাৰ কৰাৰ সক্ষমতা থকা পেছাদাৰী ব্যক্তিৰ বিকাশ সম্ভৱ কৰিবলৈ কৃষি শিক্ষাৰ সামগ্ৰিক ডিজাইনৰ পৰিৱৰ্তন সাধন কৰিব লাগিব। কৃষি শিক্ষা প্ৰদান কৰা প্ৰতিষ্ঠানসমূহে বাধ্যতামূলকভাৱে, প্ৰত্যক্ষভাৱে **স্থানীয় সমাজৰ লোকসকলক লাভবান** কৰিব লাগিব; প্ৰযুক্তিৰ বিকাশ আৰু প্ৰসাৰণক সমৰ্থন আগবঢ়োৱাৰ এক পদক্ষেপ হ'ব পাৰে কৃষিমূলক প্ৰযুক্তি উদ্যানৰ স্থাপন।

c. **আইনী শিক্ষা** কাৰ্যসূচীৰ পুনঃগঠন কৰা হ'ব। আইনৰ পেছাদাৰী শিক্ষা সাৰ্বজনীনভাৱে প্ৰতিযোগিতামূলক হ'ব লাগিব, ন্যায়লৈ বহুল প্ৰৱেশাধিকাৰ আৰু ন্যায়ৰ সময়োপযোগী প্ৰদান নিশ্চিত কৰিবলৈ সৰ্বাধিক প্ৰয়োগ আৰু নতুন প্ৰযুক্তিক আঁকোৱালি ল'ব লাগিব। একেসময়তে,

ই সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত থকা ন্যায়ৰ সাংবিধানিক মূল্যবোধসমূহৰ সৈতে একাত্ম আৰু আলোকিত হ'ব লাগিব, আৰু গণতন্ত্ৰ, আইনৰ শাসন আৰু মানৱ অধিকাৰসমূহৰ উপকৰণৰ যোগেদি ৰাষ্ট্ৰীয় পুনঃগঠনৰ দিশত আগবাঢ়িব লাগিব। **আইন অধ্যয়নৰ পাঠ্যক্ৰমে** তথ্য-প্ৰমাণ আধাৰিতভাৱে, আইনী চিন্তাধাৰাৰ ইতিহাস, ন্যায়ৰ নীতি, আইনশাস্ত্ৰৰ চৰ্চাৰ সৈতে সামাজিক-সাংস্কৃতিক প্ৰসঙ্গ, আৰু অন্য সম্পৰ্কীয় বিষয়বস্তুসমূহ যথাযথভাবে আৰু পৰ্যাপ্ত ৰূপত প্ৰতিফলিত কৰা উচিত।

ভৱিষ্যতৰ উকিল আৰু বিচাৰকসকলৰ বাবে ৰাজ্যিক প্ৰতিষ্ঠানসমূহে প্ৰদান কৰা আইন শিক্ষা দ্বিভাষী শিক্ষা হোৱা উচিত – ইয়াৰ এটা ভাষা হ'ব ইংৰাজী আৰু আনটো ভাষা হ'ব আইনী কাৰ্যসূচী চলি থকা ৰাজ্যখনৰ ভাষা। ই অনুবাদৰ প্ৰয়োজন হোৱাৰ বাবে সংঘটিত হোৱা আইনী ফলাফলত বিলম্ব হ্ৰাস কৰিব।

d. **স্বাস্থ্যসেৱা শিক্ষা** এনেদৰে পুনৰ-গঠন কৰা হ'ব যে সময়সীমা**,** শৈক্ষিক কাৰ্যসূচীৰ সংৰচনা আৰু আৰ্হিও ব্যক্তিয়ে পালন কৰা ভূমিকাই সমপৰিমাণৰ গুৰুত্ব লাভ কৰে**।** উদাহৰণস্বৰূপে, প্ৰত্যেক স্বাস্থ্যসেৱা প্ৰক্ৰিয়া/হস্তক্ষেপৰ (উদাহৰণস্বৰূপে-এটা ইচিজি গ্ৰহণ/পঠন) বাবে পূৰ্ণ অৰ্হতাসম্পন্ন চিকিৎসকৰ প্ৰয়োজন নাই। সকলো এমবিবিএছ স্নাতক এই কৌশলসমূহৰ অধিকাৰী হ'ব লাগিব- (i) চিকিৎসা কৌশল (ii) ৰোগনিৰ্ণয়/নিদান কৌশল (iii) অস্ত্ৰোপচাৰ কৌশল (iv) জৰুৰীকালীন কৌশল**।** প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু চিকিৎসালয়ত কাম কৰিবৰ কাৰণে প্ৰয়োজনীয় কৌশলৰ বাবে সু-স্পষ্ট মাপকাঠীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক নিয়মীয়া বিৰতিৰ অন্তৰে অন্তৰে মূল্যায়ন কৰা হ'ব**।** এমবিবিএছ পাঠ্যক্ৰমৰ **প্ৰথম বৰ্ষ বা প্ৰথম দুটা** বৰ্ষ **সকলো বিজ্ঞান স্নাতকৰ বাবে উমৈহতীয়াকৈ** প্ৰস্তুত কৰা হ'ব, ইয়াৰ পাছত তেওঁলোকে এমবিবিএছ, বিডিএছ, নাৰ্ছিং বা অন্য বিশেষ বিষয় ল'ব পাৰিব। অন্য বিষয়ৰ যেনে নাৰ্ছিং, দন্ত চিকিৎসাৰ স্নাতকসকলেও পাৰ্শ্বীয় প্ৰৱেশৰ( lateral entry) যোগেদি এমবিবিএছ পাঠ্যক্ৰমলৈ আহিব পাৰিব। এক চিকিৎসা শিক্ষা অৰ্হতা সংৰচনাই এয়া আগবঢ়াই নিয়াত সহায় কৰিব। **নাৰ্ছিং শিক্ষাৰ মান** উন্নত কৰা হ'ব; নাৰ্ছিং আৰু অন্য উপ-শাখাবোৰৰ বাবে এক ৰাষ্ট্ৰীয় মূল্যায়ন সংস্থা প্ৰতিষ্ঠা কৰা হ'ব। যিহেতু আমাৰ সমাজে উপলব্ধ **চিকিৎসাসেৱাত বহুধৰণৰ নিৰ্বাচন** প্ৰয়োগ কৰে, সেয়েহে আমাৰ চিকিৎসাসেৱা সুসংহত হোৱা উচিত, ইয়াৰ অৰ্থ হ'ব - সকলো এলোপ্যেথিক চিকিৎসা সেৱা শিক্ষাৰ শিক্ষাৰ্থীৰ আয়ুৰ্বেদিক, যোগ আৰু প্ৰাকৃতিক চিকিৎসা, য়ুনানী চিকিৎসা, সিদ্ধ আৰু হোমিঅ'পেথিক(আয়ুস) ইত্যাদি বিভিন্ন চিকিৎসাৰ প্ৰাথমিক জ্ঞান থাকিব লাগিব আৰু সেইদৰে অন্য চিকিৎসকসকলৰো সকলো পদ্ধতিৰ চিকিৎসাৰ বিষয়ে প্ৰাথমিক জ্ঞান থাকিব লাগিব। সকলো চিকিৎসা সেৱাৰ শিক্ষাত প্ৰতিৰোধক চিকিৎসা সেৱা আৰু সমূদায়/সম্প্ৰদায় চিকিৎসা সেৱাত যথেষ্ট গুৰুত্ব আৰোপ কৰা হ'ব।

e. **কাৰিকৰী শিক্ষাই** বিশেষ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ মূলতে হ'ল - এই বিষয়বোৰ সম্পূৰ্ণৰূপে জ্ঞান-আধাৰিতও নহয়, বা দক্ষতা-আধাৰিতও নহয়। তাৰোপৰি, মানুহৰ প্ৰতিটো পদক্ষেপতে প্ৰযুক্তিৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ ফলস্বৰূপে কাৰিকৰী শিক্ষা আৰু অন্য বিষয়ৰ মাজত থকা

দেৱাল ক্ষয়প্ৰাপ্ত হ'বলৈ আৰম্ভ কৰিছে। অনাগত ভৱিষ্যতত, কেইবাদশকৰ বাবে এইসমূহ কৰ্মক্ষেত্ৰসমূহৰ চাহিদা কেৱল উচ্চ-অৰ্হতাসম্পন্ন ব্যক্তিতেই সীমাবদ্ধ নাথাকে, বৰং উদ্ভাৱন আৰু গৱেষণা চলাই নিবলৈ উদ্যোগ আৰু প্ৰতিষ্ঠানসমূহৰ মাজত নিকট সহযোগিতাৰ একান্তই প্ৰয়োজন হ'ব। বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজন অনুসৰি পেছাদাৰী ব্যক্তি প্ৰস্তুত কৰিবলৈ **অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা** কাৰ্যসূচীত **সংশোধন** অনা হ'ব আৰু আৰ্থ-সামাজিক আৰু পৰিৱেশমূলক প্ৰসংগৰ পৰিৱৰ্তনলৈ লক্ষ্য ৰাখি নব্য বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ পূৰ্ণ-ব্যৱহাৰত সক্ষম হ'ব। শিক্ষাৰ্থীসকলৰ মাজত তেওঁলোকৰ জ্ঞান আৰু কৌশলসমূহ ভিন্ন, সাধাৰণতে অপৰিচিত, পৰিৱেশত প্ৰয়োগ কৰাৰ সক্ষমতা আৰু পেছাদাৰী স্বভাৱ আৰু নীতিৰ বিকাশ সাধন কৰিবলৈ পাঠ্যক্ৰম নৱীকৰণ কৰা হ'ব। **নতুন আৰু নব্য-প্ৰচলিত বিষয়সমূহ,** যেনে কৃত্ৰিম বুদ্ধিমত্তা, বৃহৎ তথ্য বিশ্লেষণ ইত্যাদিত **কৌশলগত এক হস্তক্ষেপ** থাকিব।

প্ৰতিষ্ঠানৰ মূল্যায়ন/ৰেংকিং প্ৰদানকৰণে উদ্যোগৰ সৈতে সহযোগিতা স্থাপন, উদ্যোগৰ অভিজ্ঞতা থকা ফেকাল্টি, আৰু বৰ্ধিত প্ৰশিক্ষণৰ সা-সুবিধা ইত্যাদিৰ ক্ষেত্ৰত **অনুপ্ৰাণিত** কৰিব।

# ৰাষ্ট্ৰীয় গৱেষণা ন্যাস

# 1. মানসম্পন্ন শৈক্ষিক গৱেষণা দ্ৰুত-বিস্তাৰ

**উদ্দেশ্য:** বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত গৱেষণাৰ বীজৰোপণ আৰু বিকাশ সাধনত বিশেষ গুৰুত্ব আৰোপ কৰি সকলো শৈক্ষিক অধ্যয়ন-ক্ষেত্ৰতে গৱেষণা আৰু উদ্ভাৱনীশীলতাৰ দ্ৰুত-বিস্তাৰ আৰু সক্ৰিয়কৰণ – প্ৰতিযোগিতামূলক সহকৰ্মী-সমীক্ষামূলক পুঁজি-যোগান, পৰামৰ্শ-প্ৰদান আৰু সা-সুবিধা নিশ্চিতকৰণৰ যোগেদি গৱেষণাৰ বাবে এক অনুকুল পৰিৱেশৰ সৃষ্টি।

এক বৃহৎ আৰু গতিশীল অৰ্থনীতিৰ বৃদ্ধি আৰু বহনৰ বাবে তথা সমাজৰ উৎকৰ্ষ সাধন আৰু এখন ৰাষ্ট্ৰই উচ্চ শিখৰত আৰোহণ কৰাত উৎসাহিত কৰিবৰ বাবে গৱেষণা আৰু উদ্ভাৱনেই হৈছে মূল পদক্ষেপ। বৰ্তমান বিশ্বত জলবায়ু, প্ৰযুক্তি, জনসংখ্যাৰ গতিবিধি ইত্যাদিত হোৱা দ্ৰুত পৰিৱৰ্তনে এক বলিষ্ঠ গৱেষণা ব্যৱস্থাক সকলোতকৈ অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে।

a. এক সংসদীয় আইনৰ যোগেদি ভাৰত চৰকাৰৰ এক স্বতন্ত্ৰ নিকায় ৰূপে ৰাষ্ট্ৰীয় গৱেষণা ন্যাস স্থাপন কৰা হ'ব। এই ন্যাসক বাৰ্ষিক অনুদান ৰূপে 20000 কোটি (জিডিপিৰ ~ 0.1%) আগবঢ়োৱা হ'ব। দেশত মানসম্পন্ন গৱেষণাৰ বিকাশৰ লগে লগে এই অনুদান আগন্তুক দশকত পৰ্যায়ক্ৰমে বৃদ্ধি কৰি যোৱা হ'ব।

b. এই ন্যাসৰ প্ৰাথমিক পৰিসৰত তলত দিয়া কামসমূহত অন্তৰ্ভুক্ত হ'ব:

- এক প্ৰতিযোগিতামূলক, সমসাময়িক পৰ্যালোচনাৰ যোগেদি সকলো শৈক্ষিক ক্ষেত্ৰৰ সকলো বিষয়ৰ গৱেষণাৰ বাবে পুঁজিৰ যোগান ধৰা।
- দেশৰ সকলো শৈক্ষিক প্ৰতিষ্ঠানক গৱেষণা-সক্ষম কৰি তোলা।
- চৰকাৰ, গৱেষক, আৰু এক উদ্যোগসমূহৰ মাজত এক লাভজনক সংযোগ স্থাপন কৰা যাতে গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় সমস্যাসমূহৰ গৱেষণা সুনিশ্চিত হয় আৰু জনসাধাৰণৰ হিতৰ স্বাৰ্থত শেহতীয়া গৱেষণাৰ আৱিষ্কাৰসমূহৰ বাস্তৱায়ন সম্ভৱপৰ হয়।
- বিশেষ আলোচনাচক্ৰ তথা পুৰস্কাৰ প্ৰদানৰ যোগেদি উৎকৃষ্ট গৱেষণা কাৰ্যক স্বীকৃতি দিয়া।

c. এই ন্যাসক চাৰিটা প্ৰধান ভাগত ভাগ কৰি আৰম্ভ কৰা হ'ব আৰু সেইকেইটা হ'ল – বিজ্ঞান, প্ৰযুক্তি, কলা আৰু মানৱীয় অধ্যয়ন।

# অতিৰিক্ত মূল গুৰুত্বপূৰ্ণ দিশসমূহ

## 1. শিক্ষা প্ৰযুক্তিসমূহ

**উদ্দেশ্য:** শিক্ষকৰ প্ৰস্তুতিত সহযোগ আৰু উৎকৰ্ষসাধন, শিক্ষণ, শিকন আৰু মূল্যায়ন প্ৰক্ৰিয়াৰ উন্নতি; বঞ্চিত সমুদায়ৰ বাবে শিক্ষাৰ উপলব্ধকৰণ বৃদ্ধি আৰু শৈক্ষিক পৰিকল্পনা, প্ৰশাসন আৰু ব্যৱস্থাপনাক দক্ষতাপূৰ্ণ কৰি তোলাৰ প্ৰক্ৰিয়াক সমৰ্থন কৰিবলৈ শিক্ষাৰ প্ৰতিটো স্তৰতে প্ৰযুক্তিৰ সঠিক একত্ৰীকৰণ।

এই নীতিয়ে শিক্ষাৰ প্ৰতিটো স্তৰতে প্ৰযুক্তিৰ উপযুক্ত একত্ৰীকৰণৰ লক্ষ্য হাতত লৈছে। এই স্তৰসমূহ হ'ল: i) শিক্ষকতা, শিক্ষা আৰু মূল্যায়ন পদ্ধতিৰ উৎকৰ্ষসাধন, ii) শিক্ষকৰ প্ৰস্তুতিত সহযোগ আৰু তেওঁলোকৰ ধাৰাবাহিক পেছাদাৰী বিকাশ, iii) বঞ্চিত সমুদায়ৰ বাবে শিক্ষাৰ উপলব্ধকৰণ, iv) শৈক্ষিক পৰিকল্পনা, প্ৰশাসন আৰু ব্যৱস্থাপনাক দক্ষতাপূৰ্ণ কৰি তোলা।

a. শিক্ষানুষ্ঠান, ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰ আৰু অন্য অংশীদাৰৰ নেতৃত্বক শেহতীয়া জ্ঞান আৰু গৱেষণা তথ্যৰ লগতে আলোচনা আৰু চৰ্চাৰ বাবে সুযোগ আগবঢ়োৱাৰ যোগেদি প্ৰযুক্তিৰ অধিস্থাপন, প্ৰয়োগ আৰু ব্যৱহাৰৰ বাবে **ৰাষ্ট্ৰীয় শৈক্ষিক প্ৰযুক্তি মঞ্চ** (National Educational Technology Forum) নামেৰে এক স্বতন্ত্ৰ নিকায় স্থাপন কৰা হ'ব।

b. ডিজিটেল সঞ্চয়াগাৰ, প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে শিক্ষকৰ প্ৰস্তুতি, গুণগত সহযোগ আৰু গৱেষণাৰ যোগেদি শৈক্ষিক প্ৰক্ৰিয়াৰ (যেনে অনুৱাদ, শিক্ষণ সহায়, ধাৰাবাহিক পেছাদাৰী উন্নতি, অনলাইন পাঠ্যক্ৰম ইত্যাদি) সৈতে প্ৰযুক্তিৰ একত্ৰীকৰণ সৰ্বাধিক ফলপ্ৰসু কৰি তোলা হ'ব। গৱেষণা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ সহজসাধ্য কৰি তুলিবৰ বাবে শৈক্ষিক প্ৰযুক্তিৰ সৰ্বোত্তম কেন্দ্ৰসমূহ (Centres of Excellence in Educational Technology) স্থাপন কৰা হ'ব।

c. শৈক্ষিক ডাটাৰ ৰাষ্ট্ৰীয় সঞ্চয়াগাৰে (National Repository of Educational Data) প্ৰতিষ্ঠান, শিক্ষক আৰু শিক্ষাৰ্থী সম্পৰ্কীয় সকলো তথ্য ডিজিটেল ৰূপত সংগ্ৰহ কৰি ৰাখিব।

## 2. বৃত্তিমূলক শিক্ষা

**উদ্দেশ্য:** বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় - এই সকলো পৰ্যায়ৰ শিক্ষানুষ্ঠানতে বৃত্তিমূলক শিক্ষা সমন্বিত কৰা। 2025 চনৰ ভিতৰত অতি কমেও 50% শিক্ষাৰ্থীৰ মাজত বৃত্তিগত শিক্ষাৰ ব্যৱস্থা কৰা।

এই নীতিয়ে 2025 চনৰ ভিতৰত ভাৰতৰ জনসংখ্যামূলক লাভৰ পূৰ্ণ সম্ভাৱনীয়তা সুনিশ্চিত কৰিবৰ বাবে বিদ্যালয় তথা উচ্চ শিক্ষা ব্যৱস্থাৰ জৰিয়তে অতি কমেও 50% শিক্ষাৰ্থীৰ মাজত দক্ষতা বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

a. আগন্তুক দশকৰ ভিতৰত এক পৰ্যায়গত পদ্ধতিৰে **সকলো শৈক্ষিক অনুষ্ঠানত বৃত্তিমূলক শিক্ষা সমন্বিত** কৰা হ'ব। কৌশলান্তৰ বিশ্লেষণ (Skills gap analysis) আৰু স্থানীয় সুবিধাসমূহৰ পৰ্যালোচনাৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় এলেকাসমূহ নিৰ্ধাৰণ কৰা হ'ব, প্ৰযুক্তিগত আৰু বৃত্তিমূলক শিক্ষা সাৰ্বজনীন শিক্ষাৰ বৃহত্তৰ লক্ষ্যৰ এক অংশ কৰি তোলা হ'ব। বৃত্তিমূলক শিক্ষাৰ ৰাষ্ট্ৰীয় সমন্বিতকৰণ কমিটিয়ে এই প্ৰচেষ্টা নিৰীক্ষণ কৰিব।

b. এই সমন্বিতকৰণৰ বাবে এই পৃথক অনুদানৰ জৰিয়তে তথা শিক্ষানুষ্ঠান, প্ৰযুক্তি সংস্থান আৰু উদ্যোগসমূহৰ মাজত **সহযোগিতা** সৃষ্টিৰ দ্বাৰা এই পৰিৱৰ্তন সূচল কৰা হ'ব।

c. প্ৰতিটো বিষয়, বৃত্তি অথবা পেছাৰ বাবে '**ৰাষ্ট্ৰীয় কৌশল অৰ্হতা সংৰচনা** (National Skills Qualifications Framework) ক্ৰমানুসাৰি বিস্তাৰ কৰা হ'ব। তদুপৰি, ভাৰতীয় মানদণ্ডক আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ দ্বাৰা নিৰ্ধাৰিত আন্তঃৰাষ্ট্ৰীয় জীৱিকাৰ মান্য শ্ৰেণীবদ্ধকৰণৰ সম পৰ্যায়ৰ কৰি তোলা হ'ব। এই সংৰচনাই **অগ্ৰাধিকাৰ শিক্ষাৰ স্বীকৃতিৰ** (Recognition of Prior Learning) বাবে এক আধাৰ আগবঢ়াব। ইয়াৰ জৰিয়তে আনুষ্ঠানিক শিক্ষাৰ পৰা বাদ পৰা সকলক সংৰচনাৰ প্ৰাসংগিক পৰ্যায়ৰ সৈতে ব্যৱহাৰিক অভিজ্ঞতা সংৰেখন কৰি পুনৰ সমন্বিত কৰা হ'ব। লগতে, এই সংৰচনাই সাধাৰণ আৰু বৃত্তিমূলক শিক্ষাক গতিশীলতা প্ৰদান কৰিব।

d. 2030-35 চনৰ ভিতৰত **প্ৰাক-স্নাতক পৰ্যায়ৰ বৃত্তিমূলক শিক্ষাত নামভৰ্তিৰ সক্ষমতা** 50%-লৈ বৃদ্ধি কৰা হ'ব। উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহে বৃত্তিমূলক শিক্ষা নিজা প্ৰতিষ্ঠানত অথবা কোনো উদ্যোগৰ সৈতে যৌথভাৱে আগবঢ়াব পাৰিব।

e. উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ যোগেদিও বৃত্তিমূলক শিক্ষাৰ **মডেল** আৰু শিক্ষানবীশৰ সম্প্ৰৰীক্ষা সম্পন্ন কৰিব পৰা যাব। উদ্যোগসমূহৰ সৈতে যৌথভাৱে উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহত অংকুৰণ কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব।

f. ভাৰতবৰ্ষত বিকাশ সাধিত হোৱা '**লোকবিদ্যা**'মূলক জ্ঞানসমূহ বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰমৰ সৈতে সমন্বিত কৰাৰ যোগেদি সকলো শিক্ষাৰ্থীৰ বাবে সুলভ কৰি তোলা হ'ব।

## 3. প্ৰাপ্তবয়স্ক শিক্ষা

**উদ্দেশ্য:** 2030 চনৰ ভিতৰত যুৱক আৰু প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ হাৰ 100% কৰা আৰু প্ৰাপ্তবয়স্ক আৰু অবিৰত শিক্ষাৰ কাৰ্যসূচীসমূহ তাৎপৰ্যপূৰ্ণভাৱে বিস্তাৰ সাধন।

সাক্ষৰতা আৰু প্ৰাথমিক শিক্ষাই প্ৰতিজন লোকক ব্যক্তিগত, সামাজিক, অৰ্থনৈতিক আৰু জীৱনজোৰা শিক্ষালাভৰ সুবিধাৰ অংশীদাৰ হোৱাৰ বাবে উপযুক্ত কৰি তোলে আৰু এইটো হৈছে প্ৰতিজন নাগৰিকৰে অধিকাৰ। অৱশ্যে, এক অগ্ৰহণীয় অনুপাতৰ যুৱক আৰু প্ৰাপ্তবয়স্কসকল আজি পৰ্যন্ত নিৰক্ষৰ হৈ আছে।

a. প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংৰচনা পাঁচটা বিস্তৃত অঞ্চলক লৈ গঠন কৰা হ'ব – আধাৰমূলক সাক্ষৰতা আৰু সংখ্যাজ্ঞান, গুৰুত্বপূৰ্ণ জীৱন কৌশল, বৃত্তিমূলক কৌশল, প্ৰাথমিক শিক্ষা আৰু অবিৰত শিক্ষা। এই সংৰচনাৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম আৰু শিক্ষণ আহিলা, মূল্যায়ন আৰু স্বীকৃতিপ্ৰদানৰ নিৰ্ণায়ক বিকাশ কৰা হ'ব।

b. প্ৰাপ্তবয়স্ক শিক্ষা প্ৰদান কৰিবৰ বাবে ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা প্ৰশিক্ষণ অনুষ্ঠানৰ জৰিয়তে এক আৰ্হি প্ৰস্তুত কৰি উলিওৱা হ'ব, য'ত প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰৰ ব্যৱস্থাপক আৰু প্ৰশিক্ষকৰ এক **গোটৰ** লগতে এক বৃহৎ সংখ্যক শিক্ষাদাতা এজনৰ-সৈতে-এজনকৈ জড়িত হৈ থাকিব।

c. অংশগ্ৰহণকাৰীসকলৰ চিনাক্তকৰণৰ বাবে **বিদ্যমান পদক্ষেপ আৰু কাৰ্যসূচীসমূহক** অধিক দক্ষতাপূৰ্ণ কৰি তোলা হ'ব, সমুদায়ৰ স্বেচ্ছাসেৱকসকলক উৎসাহিত কৰা হ'ব, যাৰ সহায়ত সমুদায়টোৰ প্ৰতিজন শিক্ষিত লোকৰ সহায়ত অতি কমেও এজন নিৰক্ষৰ ব্যক্তিক পঠন জ্ঞান প্ৰদান কৰাটো কৌশল ৰূপে ব্যৱহাৰ কৰা হ'ব। **বিস্তৃতভাৱে জনসচেতনতা কাৰ্যসূচী** অনুষ্ঠিত কৰা হ'ব। **নাৰী সাক্ষৰতাৰ** দিশত এক বলিষ্ঠ পদক্ষেপ আগবঢ়োৱা হ'ব।

## 4. ভাৰতীয় ভাষাৰ উন্নয়ন

**উদ্দেশ্য:** সকলো ভাৰতীয় ভাষাৰ সংৰক্ষণ, বিকাশ আৰু সক্ৰিয়তা নিশ্চিতকৰণ

প্ৰতিটো অঞ্চল বা ক্ষেত্ৰৰ সংস্কৃতি আৰু পৰম্পৰাৰ সঠিক অন্তৰ্ভুক্তি আৰু সংৰক্ষণৰ লগতে স্কুলৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা সেইসমূহৰ সঠিক উপলব্ধি কেৱল জনজাতীয় ভাষাসমূহক সামৰি সকলো ভাৰতীয় ভাষাক উপযুক্ত সন্মান প্ৰদৰ্শন কৰাৰ দ্বাৰাহে সম্ভৱ কৰি তুলিব পাৰি। সেয়েহে ভাৰতৰ বৈচিত্ৰময় ভাষা আৰু সাহিত্যসমূহৰ উচিত সংৰক্ষণ অতীৱ গুৰুত্বপূৰ্ণ।

a. সমগ্ৰ দেশতে বলিষ্ঠ ভাৰতীয় ভাষা আৰু সাহিত্য কাৰ্যসূচী, শিক্ষক আৰু শিক্ষাদাতাৰ নিযুক্তি, কেন্দ্ৰীভূত গৱেষণা আৰু ধ্ৰুপদী ভাষাসমূহৰ প্ৰচাৰণৰ যোগেদি ভাষা, সাহিত্য, ভাৰতীয় ভাষাসমূহত বৈজ্ঞানিক শব্দাৱলীৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

b. ধ্ৰুপদী ভাষা আৰু সাহিত্যৰ বাবে বিদ্যমান ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহক সবল কৰি তোলা হ'ব। পালি, ফাৰ্চী আৰু প্ৰাকৃতৰ বাবে একোটা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব।

c. সমগ্ৰ দেশতে সুসম ব্যৱহাৰৰ বাবে এক শব্দাৱলীৰ বিকাশৰ লক্ষ্যৰে স্থাপন কৰা বৈজ্ঞানিক আৰু কাৰিকৰী শব্দাৱলী আয়োগৰ লক্ষ্য নৱীকৰণ কৰা হ'ব আৰু কেৱল ভৌতিক বিজ্ঞানেই নহয়, সকলো বিষয় আৰু অধ্যয়ন ক্ষেত্ৰত সামৰি ল'ব পৰাকৈ বিস্তাৰ সাধন কৰা হ'ব।

# ৰাষ্ট্ৰীয় শিক্ষা আয়োগ

## 1. শিক্ষাৰ ৰূপান্তৰণ: ৰাষ্ট্ৰীয় শিক্ষা আয়োগ

**উদ্দেশ্য:** এক নতুন ৰাষ্ট্ৰীয় শিক্ষা আয়োগৰ নেতৃত্বত আঁচনি প্ৰস্তুতকৰণৰ পৰা প্ৰয়োগলৈকে প্ৰতিটো স্তৰত সমতা আৰু উৎকৰ্ষতা নিশ্চিত কৰাৰ যোগেদি ভাৰতৰ শিক্ষা ব্যৱস্থাত সহযোগিতামূলক কাৰ্যপ্ৰণালী সম্ভৱ কৰি তোলা।

ভাৰতীয় শিক্ষা ব্যৱস্থাত এনে প্ৰেৰণাদায়ক নেতৃত্বৰ প্ৰয়োজন যি সৰ্বোৎকৃষ্ট কাৰ্যকৰীকৰণ নিশ্চিত কৰি তুলিব।

a. প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত এক শীৰ্ষ পৰ্যায়ৰ নিকায় ৰূপে ৰাষ্ট্ৰীয় শিক্ষা আয়োগ গঠন কৰা হ'ব।

b. দৈনন্দিন কাৰ্যৰ সৈতে জড়িত কিছু প্ৰত্যক্ষ দায়িত্বসহ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী এই আয়োগৰ উপাধ্যক্ষ ৰূপে থাকিব।

c. বিশিষ্ট শিক্ষাৰিদ, গৱেষক, কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ প্ৰতিনিধি আৰু বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট বৃত্তিধাৰী লোকসকলক লৈ এই **আয়োগ গঠিত হ'ব।** এই আয়োগৰ সকলো সদস্য হ'ব উচ্চ দক্ষতাসম্পন্ন আৰু নিজ নিজ ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ ৰাজহুৱা বৰঙণি আগবঢ়োৱা ব্যক্তি, আৰু লগতে তেওঁলোকৰ অৰ্হতা সন্দেহাতীত হোৱাৰ লগতে স্বতন্ত্ৰ হ'ব।

d. এই আয়োগে **ভাৰতীয় শিক্ষা ব্যৱস্থাৰ তত্বাৱধায়কৰ** দায়িত্ব পালন কৰিব। ই এক একত্ৰীকৃত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ লক্ষ্য প্ৰসাৰৰ সমান্তৰালভাৱে সামাজিক বৈচিত্ৰতাক সমৃদ্ধ কৰিব। এই আয়োগে ৰাষ্ট্ৰীয়, ৰাজ্যিক, আৰু আনুষ্ঠানিক সকলো পৰ্যায়ৰ সংশ্লিষ্ট কৰ্মকৰ্তা আৰু নেতাসকলৰ ফলপ্ৰসু আৰু সুসংহত লক্ষ্য তথা কাৰ্যব্যৱস্থা সুচল কৰি তুলিব।

e. এই আয়োগে সমন্বয় আৰু সহযোগিতা সুনিশ্চিত কৰিবৰ বাবে **প্ৰতিখন ৰাজ্যৰ সৈতে নিকট সম্পৰ্ক বজাই ৰাখি কাম কৰিব।** ৰাজ্যসমূহৰ শিক্ষাৰ ক্ষেত্ৰত 'ৰাজ্যিক শিক্ষা আয়োগ' নামেৰে ৰাজ্যিক পৰ্যায়ৰ শীৰ্ষ স্তৰৰ নিকায় স্থাপন কৰা হ'ব।

# শিক্ষাত বিনিয়োগ

## 1. শিক্ষাত বিনিয়োগ

a. এই নীতি শৈক্ষিক বিনিয়োগ বৃদ্ধি কৰাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছে কিয়নো এই নীতিয়ে বিশ্বাস কৰে যে যিহেতু শিক্ষাই সমাজৰ সামগ্ৰিক উন্নতিত সহায় কৰে, সেয়েহে, সমাজৰ ভৱিষ্যতৰ বাবে বিনিয়োগ কৰাতকৈ অধিক ভাল উপায় নাই।

b. সেয়েহে এই নীতিৰ অধীনত **কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা 10 বছৰ সময়কালৰ ভিতৰত শিক্ষাত ৰাজহুৱা বিনিয়োগ 20%-লৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ** কৰা হৈছে।

c. শিক্ষালাভৰ সম্পদসমূহ, শিক্ষাৰ্থীৰ নিৰাপত্তা আৰু স্বাস্থ্য, পুষ্টিজনিত সমৰ্থন, পৰ্যাপ্ত কৰ্মচাৰী, শিক্ষকৰ বিকাশ আৰু অনগ্ৰসৰ আৰু প্ৰতিনিধিত্বহীন গোটসমূহৰ বাবে সাম্য উচ্চ মানৰ শিক্ষা নিশ্চিত কৰাৰ সকলো পদক্ষেপৰ প্ৰতি সমৰ্থনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ক্ষেত্ৰত আৰ্থিক সমৰ্থন প্ৰদান কাৰ্যৰ সৈতে আপোচ কৰা নহ'ব।

d. এই নীতিয়ে শৈক্ষিক ক্ষেত্ৰৰ পুনৰুজ্জীৱিতকৰণ, ব্যক্তিগত জনকল্যাণমূলক কাৰ্যকলাপৰ সক্ৰিয় প্ৰচাৰণ আৰু সমৰ্থনৰ বাবে আহ্বান জনাইছে। যিকোনো শৈক্ষিক প্ৰয়াসৰ বাবে অনা-লাভজনিত সকলো ৰাজহুৱা বিনিয়োগ বিদ্যমান প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰৱাহিত কৰা হ'ব।

e. এবাৰত কৰা ব্যয়, বিশেষকৈ আন্তঃগাঁঠনি আৰু সম্পদসমূহৰ সৈতে সম্পৰ্কিত ব্যয়ৰ উপৰিও এই নীতিয়ে তলত উল্লেখ কৰা **প্ৰধান ক্ষেত্ৰসমূহ** চিনাক্ত কৰিছে: (i) প্ৰাৰম্ভিক শৈশৱৰ শিক্ষাৰ বিস্তাৰ আৰু উন্নতি, (ii) বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা-জ্ঞান নিশ্চিতকৰণ, (iii) স্কুল কমপ্লেক্সসমূহত পৰ্যাপ্ত আৰু সঠিকৰূপত সম্পদসমূহৰ উপলব্ধকৰণ, (iv) খাদ্য আৰু পুষ্টি (ৰাতিপুৱা আৰু দুপৰীয়াৰ আহাৰ), (v) শিক্ষকৰ শিক্ষা আৰু শিক্ষকৰ নিৰবিচ্ছিন্ন পেছাদাৰী বিকাশ, (vi) মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ উন্নতিকৰণ আৰু (vii) গৱেষণা।

f. প্ৰশাসন আৰু পৰিচালনা নিকায়ে পুঁজিৰ সুষম, সময়োপযোগী আৰু সঠিক প্ৰৱাহ আৰু সেই পুঁজিৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব। দায়িত্বৰ স্পষ্ট পৃথকীকৰণ, প্ৰতিষ্ঠানসমূহৰ সৰলীকৰণ আৰু স্বায়ত্ব-শাসন, নেতৃত্ব বহন কৰিবলৈ উপযুক্ত ব্যক্তিৰ নিযুক্তি, সৰ্বোৎকৃষ্ট তত্বাৱধানৰ দ্বাৰা এইটো সক্ষম কৰি তোলা হ'ব।

g. এই নীতিয়ে বহুকেইটা দিশৰ প্ৰতি লক্ষ্য ৰাখি **শিক্ষাৰ বাণিজ্যিকীকৰণৰ** বিষয়টো আলোচনা কৰিছে, তাৰ ভিতৰত আছে – 'পাতলীয় কিন্তু কঠোৰ' নিয়ন্ত্ৰণ পদ্ধতি, চৰকাৰী শিক্ষাত পৰ্যাপ্ত বিনিয়োগ, আৰু স্বচ্ছ ৰাজহুৱা প্ৰকাশক সামৰি সঠিক প্ৰশাসনৰ বাবে উপযুক্ত ব্যৱস্থা।

## 2. অগ্ৰগতিৰ পথ

এই নীতিক ইয়াৰ উদ্দেশ্য আৰু অভিপ্ৰায়সহ শিক্ষাৰ সৈতে জড়িত হৈ থকা সকলো নিকায়ৰ মাজত পৰিকল্পনা আৰু সহযোগিতাৰ সংগতিপূৰ্ণ পদক্ষেপৰ যোগেদি প্ৰয়োগ কৰাটো নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় সমীক্ষাৰ সময়কাল আৰু একোটা পৰিকল্পনাক সামৰি বিভিন্ন নিকায়ে হাতত ল'ব পৰা মূখ্য পদক্ষেপসমূহৰ আধাৰসমূহ এই নীতিত উল্লেখ কৰা হৈছে।

*মানৱজাতিৰ প্ৰতিটো যুগতেই জ্ঞানে সকলো পূৰ্বৱৰ্তী প্ৰজন্মই সৃষ্টি কৰা সমষ্টিক প্ৰতিনিধিত্ব কৰে যিটোৰ সৈতে বৰ্তমানৰ প্ৰজন্মই নিজস্বকৈ যোগ দিয়ে।*

*মবিয়াছ ষ্ট্ৰীপৰ চিহ্নই সূচাইছে যে জ্ঞানৰ প্ৰকৃতি নিত্য বিকাশশীল আৰু জীৱন্ত – আৰু ইয়াৰ কোনো আৰম্ভণি আৰু কোনো সমাপ্তি নাই।*

*এই নীতিয়ে এনে নিৰবিচ্ছিন্ন প্ৰক্ৰিয়াৰ এক অংশ ৰূপে জ্ঞানৰ সৃজন, হস্তান্তৰণ, ব্যৱহাৰ আৰু লগতে প্ৰচাৰণৰ পৰিকল্পনা হাতত লৈছে।*